॥ পোহৰ প্ৰয়াসী মন ॥

— ১৮টাক জোকাৰি যোৱা
ভিন্নসুৰী মননশীল ৰচনা —

সত্য প্ৰসাদ বৰুৱা

পদ্ম প্ৰকাশ ঃ হেমচন্দ্ৰ পথ ঃ গুৱাহাটী-১

POHAR PRAYASI MAN—"In quest for light". A collection of some thoughts on men and matters pubiishcd by Smti Nirupama Baiua PADMAPAKASH, Hem Chandra Road, Uzanbazar, Guwahati—781 001

প্ৰকাশিকা : শ্ৰীমতী নিৰুপমা বৰুৱা
পদ্মপ্ৰকাশ, হেমচন্দ্ৰ পথ
উজানবজাৰ, গুৱাহাটী-৭৮১০০১

পৰিবেশক : লয়াৰ্চ বুকষ্টল, গুৱাহাটী

প্ৰথম প্ৰকাশ : ফেব্ৰুৱাৰী, ১৯৯[illegible]

মূল্য : পঞ্চাশ টকা মাত্ৰ

বেটুপাতৰ শিল্পী : মিঞ্জুল হাতীকাকতি (মামলু)

মুদ্ৰক : শৰ্মা প্ৰিন্টাৰ্চ এণ্ড এণ্টাৰপ্ৰাইজ
চান্দমাৰী, গুৱাহাটী—৭৮১ ০০৩

পৰম বন্ধু ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা
প্ৰিয়বৰেষু

সত্য প্ৰসাদ

আগকথা

পৰিবেশে আৰু চাৰিওফালৰ ঘটনাচক্ৰই মনটোত নানা ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে আৰু সঘনে চিন্তাৰ ঢৌ তোলে। বস্তুতো সময়ত এনেবোৰ প্ৰতিক্ৰিয়াই খন্তেকতে মনটোক জোকাৰি গৈ খন্তেকতে নাইকিয়া হোৱা পানীৰ বুৰবুৰণি সদৃশ আৰু বহু সময়ত অসংলগ্নও।

তথাপি তাৰ মাজতে কিছুমানে মনটোত গভীৰ সাঁচ বহুৱায় থৈ যায়। এনে কিছুমান গভীৰ সাঁচ বহুউৱা চিন্তাৰ কথাকে পাগুলিবলৈ চেষ্টা কৰিছোঁ এই পুথিখনত। বিষয়বোৰ ভিন ভিন হোৱাহেতুকে স্বাভাৱিকতে ৰচনাবোৰো ধাৰাবাহিকতা বিহীন হৈছে। এনেধৰণ চিন্তাই সকলোৰে মনবোৰ জোকাৰি যায় নিশ্চয়, কিন্তু সেইবোৰক লিখি থ'বলৈ কষ্ট নকৰে। মানুহে প্ৰতি মনটো হ'লেও সাধাৰণ ভাবে এনেবোৰ চিন্তা প্ৰায় সকলোৰে মনত কেতিয়াবা নহয় কেতিয়াবা উদয় হৈছে। এনে লোক সকলে এইবোৰক নিজৰ নিজৰ চিন্তাৰ লগত তুলনা কৰি ক'ত মিল আছে ক'ত অমিল আছে তাক বুজাৰ বাট ওলাব বুলি আশা কৰিছোঁ। মই মাথোঁ মোৰ চিন্তাবোৰ ব্যক্ত কৰি আপোনালোকৰ চিন্তাবোৰৰ সৈতে একেলগে সেইবোৰক বিচৰণ কৰিবলৈ এৰি দিছোঁ।

দৰাচলতে মানুহৰ মনবোৰ গতিশীল কাৰণে চিন্তাবোৰো কোনো এঠাইত আহি ৰৈ নাযায়। গতিশীল

জগতখনৰ পৰিবৰ্ত্তনৰ মাজত আমাৰ মনবোৰত সৃষ্টি হোৱা প্ৰতিক্ৰিয়াবো পৰিবৰ্তন হোৱাটো সম্ভৱ। সেয়ে মোৰ বক্তব্যখিনিকে শেষ বক্তব্য বুলি যেন কোনেও নাভাবে। আজি এটা বিষয়ে মই যিদৰে ভাবিছোঁ কালি ঘটনা চক্ৰৰ গতিশীল পৰিবৰ্ত্তনৰ মাজত সোমাই পৰিলে হয়তো মোৰ ধ্যান ধাৰণাবো পৰিবৰ্ত্তন হ'ব পাৰে।

তথাপি গতিৰ মাজতো কিছুমান স্থায়ী আৰু সনাতন কথা থাকে। মোৰ বক্তব্য আৰু চিন্তাৰ প্ৰকাশৰ মাজতো নিশ্চয় পঢ়ুৱৈ সকলে এনেকেতবোৰ বস্তু বিচাৰি পাব যি স্থায়ী আৰু সনাতন আৰু সেই হেতুকে গতি বা পৰিবৰ্তনৰ নিয়ন্ত্ৰক। মোৰ চিন্তা স্ৰোতৰ পম খেদি আপোনালোকে যদি আৰু আগবাঢ়ি যাবলৈ প্ৰেৰণা পায়, আগবাঢ়ি যোৱাৰ থল নিশ্চয় আছে, আৰু ভিন্ন মত যদি পোষণ কৰে, তেন্তে তাৰ প্ৰকাশৰ বাট মুকলি হ'লে আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

লিখাবোৰক কি বুলি বৰ্ণাম সেই বিষয়ে প্ৰথমতে বেছ বিমোৰত পৰিছিলোঁ। অগ্ৰজ প্ৰতিম সু-সাহিত্যিক সমালোচক মংগলদৈৰ কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী আৰু অনুজোপম নাট্যকাৰ সমালোচক অসমৰ প্ৰাক্তন কেন্দ্ৰীয় গ্ৰন্থগাৰিক শ্ৰীৰাম গোস্বামীৰ সৈতে আলোচনা কৰিছিলোঁ। তেওঁলোক দুয়োজনেই একেমতকে প্ৰকাশ কৰিছিল যে এইবোৰক "চিন্তাক জোকাৰি যোৱা মননশীল ৰচনা বুলি ক'ব পাৰি"। মই সেই বৰ্ণনাটোকে গ্ৰহণ কৰিছোঁ। তেওঁলোকে কৈছিল আমাৰ সাহিত্যত হেনো এনেধৰণৰ চিন্তাৰ খোৰাক যোগোৱা ভিন্ন সুৰী ৰচনাৰ পুথি সততে পোৱা নাযায়। তেওঁলোকৰ

উদগণিতে ছপাবলৈ সাহ কৰিলোঁ। তেওঁলোকে কৈছিল পুথিখনে সকলো স্তৰৰে অনুসন্ধিৎসু পঢ়ুৱৈৰ চিন্তাৰ পৰিধি বহল কৰাত সহায় কৰিব। এতিয়া আপোনালোকে বা কি ভাবে ?

পঢ়ুৱৈৰ শুভাকাংক্ষী—

সত্য প্ৰসাদ বৰুৱা

॥ অসদো মা সদগময় ॥

সূচী-পত্ৰ

অহা শতাব্দী জাগক

সৃষ্টিশীল জনশতাব্দীৰূপে ১

ভাৰতৰ প্ৰাণশক্তিৰ উৎস অন্বেষণ ২

সংস্কৃতি, সংশ্লেষ জ্যোতি বিপ্লৱ ১৩

আধুনিক নবীক ৰক্ষণাবেক্ষণ লাগেনে ? ১৯

যুৱশক্তিৰ জয় যাত্ৰা ২৫

জীৱনৰ খেল ৩১

ফাগুণি বতাহে আনে বসন্তৰ বতৰা ৩৭

বহাগৰ আকাশত বিজুলীৰ চিকমিকনি ৪০

বিহু নৃত্যত কৰ্মময় জনজীৱনৰ ছন্দ ৪৫

প্ৰগতিৰ পথত ৰঙালী বিহু ৪৯

চীনৰ যুৱশক্তিৰ নৱজাগৰণ ৫৩

সৃজনশীল প্ৰতিভাৰ বিকাশ ৫

যৌৱন আৰু বাৰ্দ্ধক্য ৬২

বুঢা হোৱাৰ আনন্দ [illegible]

কলাৰ ক্ষেত্ৰত ধৰ্মনিৰপেক্ষতা ৭৪

দেৱতাৰ পৰা মানুহলৈ ৭৯

সাজপাৰত স্বকীয় বৈশিষ্ট্য প্ৰকাশ ৮৩

বৰতকৈও বৰবিহু ৮৮

ভাষাৰ কথা ৯৫

অলৌকিক ঘটনা ১০০

দেৱতাৰ হকে নিজকে উৎসৰ্গ কৰা নৃত্যাংগনা	১০৬
মহাভাৰতৰ কথা অমৃত সমান	১১১
প্ৰাচীন যুগত শ্লীলতাৰ সীমাৰেখা	১১৭
নিষ্ঠা, সাহস আৰু আত্মবিশ্বাস	১২১
শ্বহীদ শিল্পীৰ সোঁৱৰণত	১২৬
তথ্যৰ মহাসাগৰত ওপঙি ফুৰিছো	১৩২
প্ৰবুদ্ধ জনতা	১৩৭
জয় মহামানৱতন্ত্ৰ	১৪২
বাতৰি পৰিবেশনৰ স্বাধীনতা	১৪৭
সকলো কথা জনাৰ মৌলিক অধিকাৰ	১৫২
অসমীয়া পুথিৰ পঢ়ুৱৈ	১৫৭
পুথিৰ বিকল্প নাই	১৬৩
অসমীয়া আলোচনী	১৬৯
নতুনৰ আহ্বান	১৭৬
মৰ্যাদা পুৰুষ শ্ৰীৰামচন্দ্ৰ	১৮১
সংস্কৃতি আৰু ৰাজনীতি	১৮৭
সাম্প্ৰদায়িক সম্প্ৰীতি	১৯২
সত্যমেৱ জয়তে	১৯৬

অহা শতাব্দী জাগক
সৃষ্টিশীল জনশতাব্দীৰূপে

সাংস্কৃতিক চিন্তা-চৰ্চা, উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত যে বাধাহীন মুকলি পৰিৱেশৰ প্ৰয়োজন তাক নিশ্চয় কোনেও অস্বীকাৰ নকৰিব। কিন্তু সকলো সময়তে এনে মুকলি পৰিৱেশ জানো পোৱা যায়? বাধাবোৰ যিবোৰ দিশৰ পৰা সাধাৰণতে আহে সেইবোৰৰ প্ৰধান দিশ দুটা হ'ল, অৰ্থনৈতিক আৰু ৰাজনৈতিক। এজন ব্যক্তিৰ

অৰ্থনৈতিক স্বাধীনতা নাথাকিলে অৰ্থাৎ খোৱা, থকা আৰু পিন্ধাৰ সমস্যা সমাধান কৰিব নোৱাৰিলে তেওঁৰ বাবে সংস্কৃতিৰ চিন্তা কৰাটো অবাস্তৱ কল্পনা হৈ পৰে।

কিন্তু এখন ৰাষ্ট্ৰই গ্ৰহণ কৰা সামাজিক ব্যৱস্থাই এজন ব্যক্তিক তেওঁৰ এই সমস্যাবোৰ সমাধান কৰিবলৈ বহু পৰিমাণে সহায় কৰিব পাৰে। সেয়ে মাৰ্ক্স আৰু লেনিনে ব্যক্তিগত সম্পত্তি আহৰণৰ ফলত উদ্ভৱ হোৱা সামাজিক বৈষম্যৰ বিলোপ সাধন কৰি উৎপাদনৰ আহিলা সমাজ তথা ৰাষ্ট্ৰৰ হাতলৈ অনাৰ কথা কৈছিল। লেনিনৰ অধিনায়কত্বত হোৱা ৰুছ বিপ্লৱৰ পাছত সেই দেশত এনে এটা সমাজ তথা ৰাষ্ট্ৰনীতিয়ে গঢ় লৈছিল।

আনহাতে এমেৰিকাই এদামস্মিথৰ পুৰণি অৰ্থনীতিকে সাৰোগত কৰি পুঁজিবাদী সংস্কৃতি আৰু ৰাষ্ট্ৰনীতিৰে পোষকতা কৰি থাকিল। কিন্তু গভীৰ মানৱতাবোধত উদ্বুদ্ধ ভাৰতৰ নেতাসকলে সমাজবাদী আদৰ্শক আগ ঠাই দিলেও ব্যক্তিগত সম্পত্তিৰ ৰাষ্ট্ৰায়ণ নকৰি মিহলি অৰ্থনীতিকহে গ্ৰহণ কৰিলে। অৰ্থাৎ আন দেশবোৰত অৰ্থনীতি আৰু ৰাজনীতি এটা বিন্দুত আহি মিলি গ'ল। আৰু সেয়ে সংস্কৃতিৰ ক্ষেত্ৰতো কম বেছি পৰিমাণে কোনো কোনো দেশত পৰোক্ষ ভাবে আৰু কোনো দেশত প্ৰত্যক্ষ ভাবে প্ৰভাৱ ৰাজনীতিয়ে বিস্তাৰ কৰি মুকলি পৰিৱেশ দূষিত কৰিবলৈ আৰম্ভ কৰিলে। ৰাজনৈতিক কাৰণত দুটা ব্লকত বিভক্ত হৈ পৰা এমেৰিকা আৰু ৰাছিয়াত এই কথাটো প্ৰকট হৈ পৰিল। আমি জানো

কেনেকৈ নাট্যকাৰ বাৰ্টোল্ট ব্ৰেখ্‌টে হিটলাৰৰ হাতৰপৰা ৰক্ষা পৰিবলৈ পলাই গৈ এমেৰিকাত কমিউনিষ্ট ভাবাপন্ন বুলি বিচাৰৰ সন্মুখীন হ'বলগীয়া হৈছিল।

কিন্তু মুকলি পৰিবেশ আটাইতকৈ বেছি দূষিত হৈছিল ৰুছ দেশত। তাৰ প্ৰধান কাৰণ হ'ল বিপ্লৱী লেনিন আৰু দেশ নিৰ্মাতা সংগঠক লেনিনৰ মাজত কি পাৰ্থক্য আছিল তাক হৃদয়ঙ্গম কৰিব নোৱাৰাটো। এইখিনিতে সংগঠক লেনিনৰ জীৱনৰ এটা সত্য ঘটনা মনত পৰিছে।

লেনিনে এদিন কিবা এটা জৰুৰী ৰাজনৈতিক আলোচনাত ব্যস্ত আছিল। এনেতে আহিল গাওঁ অঞ্চলৰ পৰা এজন চহালোক। হাতত তেওঁৰ কেৰাচিন নিবলৈ অনা এটা পাত্ৰ। চন্তৰীয়ে কি লাগে বুলি সোধাত তেওঁ ক'লে, লেনিনক লগ পাব খোজে। চন্তৰীয়ে ক'লে, বলিয়া হৈছা নেকি? লেনিনক এতিয়া কেনেকৈ পাবা? তেওঁ তোমাৰ লগত দেখা নকৰে।

চহা মানুহজনৰ খং উঠিল। ক'লে, সেইটো কেনেকৈ হ'ব? আমি পোহৰৰ অভাৱত আন্ধাৰত থাকিবলৈ বিপ্লৱ কৰিছিলোঁনে? মোক আজি কেৰাচিন তেল লাগিবই লেম্প জ্বলাবলৈ।

তেওঁ বাধা নামানি লেনিন থকা কোঠাটোলৈ সোমাই গ'ল। লেনিনে তেওঁৰ সমস্যাটো মনোযোগেৰে শুনিলে আৰু এজন কৰ্মচাৰীক নিৰ্দেশ দি ক'লে সম্প্ৰতি আমাৰ আটাইতকৈ ডাঙৰ গুৰুত্বপূৰ্ণ কাম হৈছে এই মানুহজনৰ পাত্ৰটোত কেৰাচিন তেল ভৰাই দিয়া। এই লেনিনেই

নিকোলাই পগোদিনৰ নাটক 'ক্ৰেমলিন চাইমছ'ত গুৰুত্ব দিছিল ৰাছিয়াৰ বৈদ্যুতিকৰণৰ ওপৰত। এই লেনিনেই ডেকা কৰ্মী ৰাইৰাকভক কৈছিল বলছেভিকসকলে সপোন দেখিব লাগিব। সপোন নেদেখিলে দেশখন নতুনকৈ গঢ়িবা কেনেকৈ? বিপ্লৱৰ সময়ত হিংসাক সাৰোগত কৰি লোৱা লেনিনে সংগঠনৰ সময়ত যুদ্ধ বা হিংসাক প্ৰশ্ৰয় দিয়া নাছিল। তেওঁ বলছেভিকসকলক কৈছিল মনবোৰ মুকলি কৰি ৰাখিবলৈ। কৈছিল পুছকিন আৰু টলষ্টয়ৰ সাহিত্য পঢ়িবলৈ।

লেনিনৰ সংগঠনৰ বাণীৰ প্ৰকৃত তাৎপৰ্য নুবুজাৰ কাৰণেই লেনিনৰ পাছত ষ্টেলিন, ব্ৰেজনেভ, কোছিগিনৰ সময়ত ৰাছিয়ানসকলক যেন পৃথিবীৰ মুক্ত বায়ু সেৱন কৰাৰ পৰা বঞ্চিত কৰি লোহাৰ পৰ্দাৰ আঁৰত আবদ্ধ কৰি ৰখা হ'ল। এমেৰিকালৈ গৈ ক্ৰুশ্চেভ কিছুপৰিমাণে অভিভূত হৈছিল, কিন্তু তেওঁ এই লোহাৰ পৰ্দাখন আঁতৰাব নোৱাৰিলে।

সেই কাম আজি হাতত লৈছে মিখাইল গৰ্বাচেভে ৰুছ দেশত হেৰাই যোৱা মুকলি পৰিৱেশ ঘূৰাই আনিবলৈ মহান নেতা লেনিনৰ প্ৰকৃত আদৰ্শ অনুসৰণ কৰি তাৰো উৰ্দ্ধত যাবলৈ চেষ্টা কৰিছে প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ হকে। "স্পুটনিক" শব্দটোৰ দৰে আজি ৰাছিয়াৰ 'গ্লাছনষ্ট' (মুকলি পৰিৱেশ) আৰু 'পেৰেছত্ৰইকা' (নৱীকৰণ বা পুনৰ নিৰ্মাণ) এই শব্দ দুটা মানুহৰ মুখে মুখে শুনা গৈছে।

এই নতুন ৰাষ্ট্র আৰু সাংস্কৃতিক নীতি অনুযায়ী আজি কছ দেশত মুক্ত চিন্তা, সৃষ্টিশীলতা, আলোচনাৰ স্বাধীনতা, বাধাহীন গৱেষণা, ৰাষ্ট্রই জীৱন ধাৰা প্রণালীৰ সকলো দিশৰ ওপৰত অধিকাৰ সাব্যস্ত কৰা প্রতি-যোগিতাহীন কমিউনিষ্ট অর্থনীতিৰ পৰিবর্তে প্রতিযোগিতা মূলক "মার্কেট ইকনমি" গ্রহণ কৰাৰ প্রচেষ্টা, আনৰ সমালোচনা আৰু আত্মসমালোচনা আদিৰ যোগেৰে আর্থ-সাংস্কৃতিক জগতত নতুন বিপ্লৱৰ সূচনা কৰিবলৈ যত্ন কৰা হৈছে।

গৰ্বাচেভে গান্ধীজীৰ, "মই থকা ঘৰটোৰ দুৱাৰ খিৰিকীবোৰ মেলি থম, যাতে বাহিৰৰ বতাহ বাধাহীন ভাৱে সোমাব পাৰে, সেই বতাহ সেৱন কৰি পৰোক্ষ ভাবে মই পৰিপুষ্ট হম, কিন্তু সেই বতাহে মোক উৰুৱাই নিবলৈ নিদিও", কথা ফাঁকিৰ প্রকৃত তাৎপর্য যেন সম্যক ভাবে উপলব্ধি কৰিছে।

১৯৮৬ চনৰ অক্টোবৰ মাহত কছ দেশৰ কিৰঘি-জিয়াত কছ সাহিত্যিক চিংঘিজ এইতমেতভৰ আহ্বান ক্রমে বিশ্বৰ বিভিন্ন প্রান্তৰ ওঠৰ গৰাকী শিল্পী, নাট্যকাৰ, ঔপন্যাসিক, অভিনেতা মিলিত হৈছিল এই শতিকাৰ গুৰুত্বপূর্ণ সমস্যাবোৰ আলোচনা কৰিবলৈ। এইসকলৰ ভিতৰত আছিল ভাৰতৰ ডঃ নাৰায়ণ মেনন, এমেৰিকাৰ নাট্যকাৰ অর্থাৰ মিলাৰ আৰু ইংলেণ্ডৰ অভিনেতা পৰি-চালক পিটাৰ উষ্টিনভ। এই সন্মিলনখনৰ নামকৰণ কৰা হৈছিল "ইচছিক কুল ফোৰাম" [The Issyk Kul

Forum]।

সাম্প্ৰতিক কালৰ সমস্যা জৰ্জৰিত বিশ্বমানৱৰ মনৰ হতাশা আঁতৰাবলৈ অহা এশ বছৰৰ বাবে কি কৰিব লাগিব সেই বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। তেওঁলোকে ন-দি কৈছিল যে অহা শতিকাটোক ৰাজনৈতিক নেতাসকলৰ হাতত এৰি দিব নোৱাৰি আৰু নোৱাৰি ৰাষ্ট্ৰগত বা ব্যক্তিগত অবিম্নাঅৰিক প্ৰশ্ৰয় দিবলৈ। মানুহৰ প্ৰতিভা, কল্পনা শক্তি, বৈজ্ঞানিক আৱিষ্কাৰ. কবিৰ সপোন, সাধাৰণ মানুহৰ আশা, এই সকলোৰে সমাহাৰত নতুন সৃষ্টিশীল চিন্তাৰ উদ্ভাৱন কৰি জগতখনক শান্তি আৰু প্ৰগতিৰ পথেদি আগবঢ়াই নিব লাগিব। বিশ্ব মানৱৰ সৃজনীশীল প্ৰতিভাৰ ওপৰত গুৰুত্ব দি সাৰ্বজনীন প্ৰগতি আৰু সুখ শান্তিৰ হকে সকলো দুষ্কৃতিকাৰী শক্তিক বিনষ্ট কৰি শতিকাটোক সৃজনীশীল শতিকাত পৰিণত কৰিব লাগিব।

মিখাইল গৰ্বাচেভৰ প্ৰেৰণাত গঠিত এই সন্মিলনৰ সিদ্ধান্তক অনুসৰণ কৰিবলৈ কমিউনিষ্ট পন্থী হোৱাৰ প্ৰয়োজন নাই। বাছিয়াত দৰাচলতে আজিৰ ৰাজনৈতিক পৰিবেশত কমিউনিজমৰ অস্তিত্ব সমূলি হেৰাই যোৱাৰ উপক্ৰম হৈছে। আৰু গণতন্ত্ৰৰ অভ্যুত্থানৰ লগে লগে ৰাইজ অধিক সচেতন হোৱাৰ ফলতে গৰ্বাচেভৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰমূলক "কু" [পৰিবৰ্তনৰ বাবে হঠাৎ আক্ৰমণ] বিফল হৈছে। গান্ধীজী, ৰবীন্দ্ৰনাথ, নেহৰুজীৰ ভাৰতৰ জনগণেও নিজৰ ঐতিহ্যক আওকাণ নকৰি সমাজৰ

বৌদ্ধিক আৰু আত্মিক শক্তিক সৰ্বাধিক পৰিমাণে সজীৱ আৰু সক্রিয় কৰি তুলিব পাৰিব। দৰাচলতে হয়তো শক্তিৰ শিখৰত বহি থকা গৰ্বাচেভ ভাৰতবৰ্ষৰ ঐতিহ্যৰ প্ৰেৰণাতে বিশ্বমানৱৰ শান্তি আৰু প্ৰগতিৰ হকে মানৱ সভ্যতাৰ বুৰঞ্জীত নতুন দিশ নিৰ্ণয় কৰাত এইদৰে দৃঢ়-প্ৰতিজ্ঞ হৈছে। জ্যোতি প্ৰসাদৰ কবিতাৰ ভাষাত ক'বলৈ হ'লে—

"মানুহ ফুলিব লাগিব বিকশি
কৰিব লাগিব বিশ্বখনকে
স্বৰগী সুৰভীময়।"

ভাৰতৰ প্ৰাণ শক্তিৰ উৎস অন্বেষণ

আন্ধাৰৰ মাজৰ পৰা ওলাই পোহৰ বিচাৰি আগবাঢ়ি যোৱাৰ পথত মানৱ সভ্যতাই আদিম যুগৰ পৰা আজিলৈকে বহুতো নতুন ক্ষেত্ৰ আৱিষ্কাৰ কৰিছে, বহুতো নতুন কথা শিকিছে। সমাজনীতি, ৰাজনীতি, অৰ্থনীতি, সাহিত্য সংস্কৃতিৰ জগতত পৰিবৰ্ত্তনে দেখা দিয়াৰ লগে লগে মানৱ সভ্যতাইও মোট সলাইছে, নতুন ৰূপত আমাৰ আগত দেখা দিছে।

'ডিচকভাৰি অৱ ইণ্ডিয়া' (ভাৰত সন্ধেদ) পুথি-খনত নেহৰুজীয়ে লিখিছে যে পৃথিৱীৰ দুখন মহাদেশত ৰাছিয়া আৰু এমেৰিকাত যি সভ্যতা গঢ়ি উঠিছে, তাৰ সৈতে প্ৰাচীন সভ্যতাৰ বিশেষ সম্বন্ধ নাই বুলি-লেও হয়। ৰাছিয়াৰ বিপ্লৱৰ মাজেৰে আৰু নতুন অৰ্থনৈতিক আৰু সামাজিক আদৰ্শবাদৰ ভেটিত এক নতুন সভ্যতাই গঢ় ল'লে যাৰ তুলনা পোৱা টান। এমেৰিকাত প্ৰাচীন সভ্যতা বুলি কিবা আছিল যদিও তাত যি সভ্যতা সংস্কৃতিয়ে গঢ় লৈছে, তাক ৰাছিয়াৰ লগত মিল নেথাকিলেও নতুনকৈ গঢ় লোৱা সভ্যতা বুলি ক'লেও হয়তো বৰ ভুল কোৱা নহ'ব। চীনৰ সভ্যতাৰ প্ৰাচীনত্বই অৱশ্যে তেওঁক মুগ্ধ কৰিছিল যদিও চীনত পাছলৈ এই প্ৰাচীনত্বৰ প্ৰভাৱ বহুতো নাইকিয়া হৈ গৈছিল।

কিন্তু পৃথিৱীৰ বুৰঞ্জী অধ্যয়ন কৰি নেহৰুজীয়ে উপলব্ধি কৰিছিল যে প্ৰায় দুশ বছৰীয়া ইংৰাজ শাসন আৰু তাৰ আগৰ সংঘাত-সংঘৰ্ষ, যুদ্ধ-বিগ্ৰহ, জয়-পৰা-জয়ৰ উত্থান-পতনে, ভাৰতীয় সভ্যতাৰ পাঁচ হেজাৰ কালৰ ঐতিহ্যৰ আৰু সাংস্কৃতিক' জীৱনৰ অবিচ্ছিন্নতাক কিছু সময়ৰ কাৰণে তমসাবৃত কৰিলেও তাৰ ওপৰত পোহৰৰ বেঙণি পৰাৰ বাট সম্পূৰ্ণ ভাবে বন্ধ কৰিব পৰা নছিল। আৰু সেয়ে আধুনিক পাশ্চাত্য সভ্যতাৰ কেতবোৰ গ্লানিয়ে আমাৰ সভ্যতা সংস্কৃতিক আক্ৰমণ কৰিবলৈ চেষ্টা চলাই থাকিলেও, ভাৰতৰ ঐতিহ্য অম্লান হৈয়ে আছে।

এটা সময় আছিল যেতিয়া আমি, মানে আমাৰ পুৰ্বপুৰুষ সকলে অতীজত সকলো বস্তুকে বিৰাট আৰু অসীমৰ ৰূপতহে দেখিছিল। অনন্তৰ ধ্যানত তেওঁলোক আছিল মুগ্ধ। কিন্তু আজি বিশেষকৈ বিজ্ঞানৰ অভ্যুদয়ৰ লগে লগে দৃষ্টি ভংগীৰ সলনি হ'ল। ভূমাৰ ঠাইত আমাৰ দৃষ্টি আকৰ্ষিত হ'ল অণুপৰমাণুৰ ফালে। বিৰাটৰ চিন্তা ত্যাগ কৰি আমি সৰু সৰু বস্তুৰ অন্বেষণত ব্যস্ত হৈ পৰিলোঁ। অৰ্থাৎ অতীজৰ যি চিন্তাধাৰা আছিল, তাৰ ওপৰত নতুন পোহৰৰ ৰেঙণি পৰাত আগতে সামগ্ৰিক ভাবে দেখা বস্তুবোৰৰ খণ্ড খণ্ড ৰূপ আমাৰ চকুত ধৰা পৰিল। একেটা চিন্তা—ধাৰাৰ প্ৰভাৱত পৰি অতীজৰ সংস্কাৰগ্ৰস্ত স্থবিৰ হোৱা জগতখনে যেন স্থবিৰতা হেৰুৱাই গতি চঞ্চল হৈ পৰিল।

আগতে আমাৰ চিন্তা জগতখনত আছিল, মগজুৰ প্ৰভাৱ। মগজুৰ সহায়তে মুণি, ঋষি সকলে নতুন তত্ত্ব উপলব্ধি কৰি আমাক বিলাই দিছিল। সাধাৰণ মানুহৰ মগজুৰ শক্তি সীমাবদ্ধ হোৱাৰ কাৰণে সেইবোৰৰ বহুখিনি কথাই বোধগম্য নোহোৱাকৈ থাকিল। সময়ৰ অগ্ৰগতিৰ লগে লগে আৰু জনসাধাৰণৰ চাহিদাৰ কাৰণে জ্ঞানৰ ক্ষেত্ৰ মগজুতে আৱদ্ধ নাথাকি হৃদয়ৰ ক্ষেত্ৰলৈ নামি আহিল। আৰু বুদ্ধি বা ধী শক্তিৰ ঠাই ল'লে অন্তৰৰ আবেগে। দুবুজা মন্ত্ৰবোৰ উচ্চাৰণ কৰাৰ পৰিবৰ্তে গোসানীক আবেগেৰে 'মা' বা 'আই ভগৱতী' বুলি মাতিবলৈ বেছি ভাল লগা হ'ল। এইদৰে মাতিলেহে

যেন ঈশ্বৰে তথা গোসাঁমীয়ে আমাৰ মনৰ কথা শুনিব— তেনে ধাৰণা আমাৰ মনত উপজিল। শ্ৰীবুদ্ধই ক'লে হৃদয়াগ্নিৰে কৰ্মৰ মায়া পুৰি ছাই কৰি দি মুক্তি বা নিৰ্বাণ লাভ কৰাৰ কথা।

তাৰ পাছত মানুহৰ হৃদয়ৰ বিভিন্ন স্তৰৰ ওপৰত পোহৰৰ ৰেণুণি পৰিল। বৈষ্ণৱ যুগৰ সন্ত সকলে গালে ভগৱৎ প্ৰেমৰ জয়গান, ভক্তি ৰসত আপ্লুত অন্তৰেৰে বিচাৰিলে ভগৱানৰ কৰুণা। অসমত এই ভক্তি ৰসেই বিশিষ্ট ৰূপ ললে শ্ৰীমন্ত শংকৰদেৱৰ নাম-ধৰ্মত আৰু নাম প্ৰসংগত। পোহৰৰ পৰিধি লাহে লাহে বহল হৈ গৈয়ে থাকিল। আমাৰ গতি চাঞ্চল্যই হৃদয় আৰু প্ৰাণৰ মণিকোঠাত প্ৰৱেশ কৰিলে আৰু আৱিষ্কাৰ কৰিলে মনৰ আঁৰত থকা অৱচেতন মনটোক, উদ্ঘাটন কৰিলে স্বপ্ন ৰহস্যক।

কিন্তু তাতে যতি নপৰিল। বিজ্ঞানে ইতিমধ্যে মন আৰু প্ৰাণৰ ঠাইত 'মেটাৰ', পদাৰ্থৰ ওপৰত অধিক গুৰুত্ব দিবলৈ আৰম্ভ কৰিছিল আৰু সেয়ে ক্ষেত্ৰবোৰত বেছি পোহৰ পৰি নতুন নতুন আৱিষ্কাৰ হোৱাৰ ফলত আধ্যাত্মিক আৰু মনৰ জগতখনতকৈ দেহ জগতৰ, পদাৰ্থৰ জগতখনৰ গুৰুত্ব বাঢ়ি গ'ল।

পৃথিৱীৰ অগ্ৰগতিৰ এইবোৰ দিশে ভাৰতবৰ্ষকো স্পৰ্শ কৰিলে। কিন্তু নানা কাৰণত ইয়াৰ সুফল পাবলৈ সময় লাগিল। আমি বিশ্বজগতৰ নতুন পৰিবৰ্তনবোৰৰ সীমাতে বহু দিনলৈ ৰৈ থাকিলোঁ। ভিতৰলৈ সোমাব নোৱাৰিলোঁ। সংস্কাৰ বিমুক্ত হ'ব নোৱাৰিলোঁ।

কিন্তু ভাৰতৰ যি আচৰিত প্ৰাণ শক্তিয়ে ইয়াৰ ঐতিহ্যক হেজাৰ বাধা বিপদৰ মাজতো ৰক্ষা কৰি আছিছিল সেই প্ৰাণ শক্তিৰ আহ্বান আমি মাজে মাজে, বিশেষকৈ দেশ স্বাধীন হোৱাৰ পাছৰে পৰা শুনাকৈ নাথাকিলো। এই প্ৰাণ শক্তিৰ সন্ধান বিচাৰিছিল আমাৰ ৰাষ্ট্ৰনায়ক জৱাহৰলাল নেহৰুজীয়ে। তেওঁ উপলব্ধি কৰিছিল এই প্ৰাণ শক্তিক আমি পুনৰ আৱিষ্কাৰ কৰিব লাগিব। তেওঁ উপলব্ধি কৰিছিল যে ভাৰতীয় সভ্যতা সংস্কৃতিক নিঃশেষ হৈ যাব নিদিয়া এই প্ৰাণ শক্তিৰ নিশ্চয় এটা উৎস আছে। এই উৎসটো কেনেধৰণৰ আৰু ক'ত আছে তাক বিচাৰি উলিয়াটোৱেই হ'ব লাগিব আমাৰ প্ৰধান কাম। কাৰণ এই উৎসটোৰ পৰা সদায়ে ওলাই থকা প্ৰাণ শক্তিৰ ধাৰাটোহে স্বাধীন ভাৰতৰ অগণন জনগণক নতুনৰ পৰা নতুনলৈ পোহৰৰ বাটেদি আগবঢ়াই নিব পাৰিব।

সংহতি, সংশ্লেষ, জ্যোতি বিপ্লব

ভাৰতৰ সভ্যতা আৰু সংস্কৃতিৰ উৎস, তথা প্ৰাণশক্তি যে ঐক্য সংহতি আৰু সংশ্লেষৰ মাজতে নিহিত আছে তাক আমি সকলোৱে উপলব্ধি নকৰাকৈ থকা নাই। ভাৰতীয় সংস্কৃতিৰ যে নানা ৰূপ আছে, ই যে বৈচিত্ৰ্যপূৰ্ণ তাকো কোনেও অস্বীকাৰ নকৰে। দৰাচলতে ঐক্য সংহতি আৰু সংশ্লেষৰ প্ৰভাৱে এই বৈচিত্ৰ্যক অধিক মহত্বপূৰ্ণ কৰি তুলিছে। ভাৰতৰ দীঘলীয়া বুৰঞ্জীৰ বিভিন্ন অধ্যায়ত বিদেশী আক্ৰমণ আৰু প্ৰব্ৰজনৰ সোঁতে দেশখনক কোনো কোনো সময়ত সাময়িক ভাৱে বিপৰ্যয়-গ্ৰস্ত কৰিলেও, ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ আগতে

উল্লেখ কৰা প্ৰাণশক্তিয়ে 'মই আছো' বুলি পুনৰ কপালত গৌৰৱ তিলক আঁকি মূৰ দাঙি থিয় দিছে।

এই কথাটোকে বিশ্বকবি ৰবীন্দ্ৰ নাথে, তেওঁৰ "ভাৰত তীৰ্থ" বোলা কবিতাটোত এইদৰে বৰ্ণাইছে যে কোনেও নাজানে কাৰ আহ্বানত কিমান মানুহৰ ধাৰা দুৰ্বাৰ গতিত এই ভাৰত ভূমিত মিলিত হৈছিলহি। আৰ্য অনাৰ্য দ্ৰাবিড় চীন শক-হুণ, মোগল পাঠান সকলে আহি এটা দেহতে যেন লীন হৈ গ'ল। পশ্চিমৰ সভ্যতাৰ সোঁতো আহি সোমাইছে, কিন্তু কোনেও ভাৰতীয় সংস্কৃতিৰ মহিমা মণ্ডিত ৰূপক আওকাণ কৰি উভতি যাব পৰা নাই। দিয়া আৰু নিয়াৰ মাজেৰে ভাৰত মহামানৱৰ সোঁতত নিজকে জাহ দি ভাৰতৰ প্ৰাণশক্তিয়ে উজ্জীৱিত কৰি তুলিছে। ভাৰতৰ সংস্কৃতি সভ্যতাৰ পোহৰত নিতে নতুনৰ সন্ধানত ব্ৰতী অগণন ভাৰতীয় জনগণৰ শোণিতৰ ধাৰাত কৰিয়ে শুনিছে তাৰেই বিচিত্ৰ সুৰ।

এই সংস্কৃতিৰ ধ্বনি সকলো ভাৰত বাসীৰ মনতে (মুষ্টিমেয় স্বাৰ্থপৰৰ বাহিৰে) বিশেষকৈ অনুৰণিত হৈছিল বিদেশী ইংৰাজ শাসকৰ, বিৰুদ্ধে ভৰি লোৱা স্বাধীনতাৰ সংগ্ৰামৰ সময়ত। গৰিষ্ঠ সংখ্যক ভাৰত বাসীয়ে সকলো স্বাৰ্থচিন্তা বিভেদ-বৈষম্য পাহৰি মহাত্মা গান্ধীৰ নেতৃত্বত একগোট হৈছিল ভাৰতৰ জাতীয় পতাকাৰ তলত "বন্দে মাতৰম" মহামন্ত্ৰ উচ্চাৰণ কৰি আৰু সেই মহামন্ত্ৰ উচ্চাৰণ কৰিয়েই ভিডিত চিপজৰী লৈছিল, ইংৰাজ শাসকৰ পুলিচ মিলিটেৰীৰ গুলী বুকু পাতি লৈ কৰিছিল

মৃত্যু বৰণ। সেই সময়তো ইংৰাজৰ কুচক্ৰান্তত সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল যদিও সি ঐক্য আৰু সংহতিৰ বাণীক তল পেলাব পৰা নাছিল।

এই খিনিতে উল্লেখযোগ্য যে ভাৰতৰ স্বাধীনতা সোনকালে লাভ কৰাৰ অৰ্থে ভাৰতৰ বৰেণ্য নেতা সকলৰ বৰমূৰীয়া সকলে দেশ বিভাজন মানি লৈছিল যদিও আমি জনাত অন্যতম বৰেণ্য নেতা মৌলানা আজাদ চাহাবে নিজে এগৰাকী নিষ্ঠাবান মুছলিম হোৱা সত্বেও ভেনে বিভাজনত মত দিয়া নাছিল। শৰৎ চন্দ্ৰ বোসেও মতদিয়া নাছিল। দেশক স্বাধীন কৰাৰ তৎপৰতাত গান্ধীজীৰ মতো তল পৰিছিল।

দেশ বিভাজনে ভাৰতবাসীৰ মনত জোকাৰ মাৰি যোৱাৰ দৰে দেশ স্বাধীন হোৱাৰ পাছত ৰাষ্ট্ৰভাষাৰ সমস্যাটোৱে দেশবাসীক বিশেষকৈ দক্ষিণ ভাৰতৰ লোকসকলক যথেষ্ট পৰিমাণে চিন্তিত কৰিছিল। ইংৰাজী ভাষাৰ প্ৰচলনৰ লগতে এক ধৰণৰ হিন্দী, যিটোক ডং সুনীতি চেটাৰ্জীয়ে "বাজাৰ হিন্দী" বুলি কৈছিল, ভাৰতৰ বিভিন্ন অঞ্চলত চলি আছিল আৰু তাকে তেওঁ "লিংক লেংগুৱেজ" অৰ্থাৎ সংযোজক ভাষা ৰূপে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিছিল। কিন্তু তাৰ পৰিবৰ্তে আন কিছুমানে দেৱনাগেৰী হৰফত শুদ্ধ হিন্দী ভাষাক গ্ৰহণ কৰিবলৈ টানি ধৰাৰ ফলতেই বিশুদ্ধ হিন্দীয়েই ৰাষ্ট্ৰভাষা ৰূপে গৃহীত হ'ল। কিন্তু এই সিদ্ধান্তই আজিলৈকে বহুতৰে মনৰ খোকোজা আঁতৰাব পৰা নাই। আৰু ই

এতিয়াও কোনো কোনো অঞ্চলত জাতীয় সংহতিৰ ভেটি দুৰ্বল কৰিবলৈ প্ৰয়াস কৰি থকা দেখা গৈছে।

বহুতো দেশপ্ৰেমীকে তেতিয়াও ভাবিছিল আৰু এতিয়াও ভাবে যে কিছুদিন ইংৰাজীকে বহাল ৰাখি সকলো আঞ্চলিক ভাষাৰে মাতৃস্বৰূপা সংস্কৃতকে স্বাধীন ভাৰতে, নিজৰ ঐতিহ্যৰ প্ৰতি শিৰ দোঁৱাই, ৰাষ্ট্ৰভাষাৰ সন্মান দিব লাগিছিল। স্বাধীন ভাৰতে সংস্কৃতক দেৱ ভাষাৰ পৰা জনগণৰ ভাষালৈ ৰূপান্তৰিত কৰিবলৈ প্ৰয়াস কৰা হ'লে কৃতকাৰ্য নোহোৱাৰ কোনো কাৰণ নাছিল। সংস্কৃত ভাষাৰ সৰলীকৰণ কৰি, পঢ়াশালিবোৰত তাক পঢ়াটো বাধ্যতামূলক কৰাৰ লগতে সংস্কৃত ভাষা প্ৰচাৰ সমিতি গঠন কৰি ইয়াক জনগণৰ ভাষা কৰাটো বিশেষ টান নাছিল বুলি এওঁলোকে ভাবে। কাৰণ অভিজ্ঞতাৰ পৰা দেখা গৈছে যে এটা ভাষা শিকি সেই ভাষাত মনৰ ভাব প্ৰকাশ কৰাৰ অৰ্হতা আহৰণ কৰিবলৈ পাঁচ বছৰতকৈ বেছি সময় নালাগে।

সি যি কি নহওক, ৰাজনৈতিক কাৰণতে দেশখন যেতিয়া বিভাজিত হ'ল সংস্কৃত ভাষাইও স্বাধীন ভাৰতত প্ৰতিষ্ঠা লাভ নকৰিলে। এতিয়া অৱশ্যে অনাতাঁৰ যোগে সংস্কৃত বাতৰি আৰু দূৰদৰ্শন যোগে অন্যান্য অনুষ্ঠান প্ৰচাৰ কৰি সংস্কৃতৰ প্ৰতি আমাৰ আগ্ৰহ বঢ়াবলৈ যত্ন কৰা হৈছে, যিদৰে আঞ্চলিক শিল্পীৰ মুখত হিন্দী সংলাপ দি বিশুদ্ধ উচ্চাৰণৰ দৃঢ়তাক শিথিল কৰিবলৈ যত্ন কৰা হৈছে। অৱশ্যে সংস্কৃত ভাষাৰ প্ৰতি আমাৰ আগ্ৰহ

বঢ়োৱাৰ এই ধীৰ পদক্ষেপে আমাক আমাৰ নীতি সংশোধনৰ পথত কিমানদূৰ আগবঢ়াই নিব সেই কথা ভৱিষ্যতৰ গৰ্ভত।

এইদৰে কোনো কোনো ক্ষেত্ৰত জোকাৰণি খালেও ভাৰতবাসীৰ জাতীয়তাবোধ মহিমামণ্ডিত হৈয়ে আছে। বিদেশীৰ আক্ৰমণৰ সময়তো ভাৰতবাসীয়ে স্বাধীনতা সংগ্ৰামৰ সময়ৰ দৰে সকলো বিভেদ বৈষম্য পৰিহাৰৰ যোগেৰে জাতীয়তাবোধৰ পৰিচয় দি শত্ৰুক প্ৰতিহত কৰিছিল আৰু ভৱিষ্যতে কৰিবলৈকো প্ৰতিজ্ঞাবদ্ধ।

স্বাধীনতা লাভৰ পাছত দেশৰ স্বাধীন চৰকাৰে সাংস্কৃতিক আৰু অন্যান্য ক্ষেত্ৰত প্ৰয়োগ কৰা বিনিময় আঁচনি যোগে দেশখনৰ বিভিন্ন অঞ্চলৰ ৰাইজক ওচৰ চপাই আনিছে। কৃষি জীৱনত লালিত পালিত ভাৰতৰ অগণন গাওঁৰ ৰাইজে উপলব্ধি কৰিছে যে সকলো অঞ্চলতে তেওঁলোকৰ লগৰীয়া সকলৰ সমস্যাবোৰো প্ৰায় একেধৰণৰে। আৰু চৰকাৰে একেধৰণৰ দৰিদ্ৰতাৰ সমভাগী গাওঁৰ ৰাইজক, সমাজৰ নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ দৰে নতুন পদ্ধতিবোৰৰ সন্ধান দি দৰিদ্ৰতাৰ শৃংখল ছিঙিবলৈ প্ৰয়াস কৰিছে। এনে প্ৰচেষ্টাইও যে দেশবাসীক ঐক্যবদ্ধ কৰাত সহায় কৰিছে তাক অস্বীকাৰ কৰিব নোৱাৰি। এনে প্ৰচেষ্টাত কেৰোণ দেখিলেই দেশবাসী একাবদ্ধ হৈ প্ৰতিবাদো কৰিছে।

আজি আমি কি গাওঁবাসী, কি নগৰবাসী সকলোৱেই নতুন পোহৰত উন্নতিৰ পথেদি আগবাঢ়ি যাবলৈ উৎগ্ৰীৱ

হৈ পৰিছোঁ। আমাৰ ওপৰত পাশ্চাত্যৰ বিজ্ঞান, প্ৰযুক্তি-বিদ্যা, উদ্যোগ, অৰ্থনীতি, সমাজনীতিৰ পোহৰ পৰিছে। তেওঁলোকৰ সংস্কৃতিৰ পোহৰে আমাকো ঠেক পৰিসৰৰ পৰা ওলাই একেলগে বিশ্বৰ বহল বুকুত বিচৰণ কৰিবলৈ প্ৰেৰণা যোগাইছে। তেওঁলোকেও ভাৰতৰ আদৰ্শ ঐতিহ্যক গ্ৰহণ কৰিবলৈ আগ্ৰহী হৈছে।

সংস্কৃতিৰ লগতে দুষ্কৃতিও যে কিছু পৰিমাণে সোমাইছে তাকো নুই কৰিব নোৱাৰি। আমাৰ ভাং খোৱা সন্ন্যাসীয়ে যেনেকৈ পাশ্চাত্যৰ হিপ্পী সকলক উদগাণি দিছিল সেইদৰে বৰতকৈও বৰবিহ "ড্ৰাগছে"ও আমাৰ কোনো কোনো লোকক বলিয়া কৰিবলৈ ষড়যন্ত্ৰ চলাইছে। এই ক্ষেত্ৰতো ভাৰতৰ বিভিন্ন অঞ্চলৰ বেছিৰ ভাগ লোকেই একেধৰণে চিন্তিত হৈ একে-ধৰণেই এই সমস্যা সমাধানৰ উপায় বিচাৰি চিন্তাৰ ঐক্যৰ প্ৰমাণ দিছে। এই ক্ষেত্ৰত পশ্চিমৰ সংস্কৃতিসম্পন্ন লোকসকলৰ চিন্তাৰ লগতো আমাৰ চিন্তা মিলি গৈছে।

পোহৰৰ বাটেদি আগবাঢ়ি যাওঁতে হয়তো সাংস্কৃতিক জীৱনৰ লগে দেশৰ শাসন ব্যৱস্থাতো কিছু পৰিমাণে কেৰোণে দেখা দিছে। পোহৰৰ জ্যোতিয়ে এই আন্ধাৰ আঁতৰাবই। এই কেৰোণবোৰ নাইকিয়া হ'বই। সেয়ে ৰূপকোঁৱৰৰ ভাষাত ক'বলৈ মন যায়—

"বোধ কৰিবলৈ যত
আন্ধাৰ দৈত্য দানৱ
জ্যোতি মন্ত্ৰে
বিপ্লৱৰ শংখ বজাওঁ॥"

আধুনিক নাৰীক ৰক্ষণাবেক্ষণ লাগেনে ?

নাৰী তথা মহিলা সকলে প্ৰায়ে অভিযোগ কৰা দেখা যায় যে সমাজৰ ওপৰত পুৰুষে আধিপত্য বিস্তাৰ কৰি তেওঁলোকক স্বাধিকাৰ প্ৰতিষ্ঠাত সদায়ে বাধা দি আহিছে। আৰু তাৰ ফলতে তেওঁলোক সকলো দিশতে হৈছে নিগ্ৰহিতা আৰু বঞ্চিতা। মানৱ সভ্যতাৰ অগ্ৰগতিৰ কোনো এটা যুগত কেতবোৰ সামাজিক আৰু

বুৰঞ্জী মূলক কাৰণত আৰু ভ্ৰান্ত সংস্কাৰ জনিত কাৰণত কোনো কোনো ক্ষেত্ৰত এনে এটা অৱস্থাই দেখা দিলেও আদি আৰু বৰ্তমান যুগত পুৰুষে নাৰীক নিগ্ৰহ কৰাৰ পৰিবৰ্তে সন্মানৰ আসনতহে বহুৱাবলৈ যত্ন কৰিছে।

নাৰী শক্তি উদ্বোধন কৰি অসুৰ নিধনৰ অৰ্থেই দেৱতা সকলে নিজৰ নিজৰ তেজ, শক্তি আৰু অস্ত্ৰ প্ৰদানৰ যোগেৰে সৃষ্টি কৰিছিল মহিষ-মৰ্দিনী দুৰ্গা দেৱীক। পুৰুষ দেৱতা সকলৰ পৰা লাভ কৰা পুঞ্জীভূত শক্তিৰে, বীৰ্যবান পুৰুষৰ দৰেই সমৰ ক্ষেত্ৰত বিপুল বিক্ৰমেৰে যুঁজি দেৱী দুৰ্গাই অসুৰক নিধন কৰিছিল।

তদুপৰি আমি জানো যে নিজকে অবলা বুলি নাভাবি সাবিত্ৰীয়ে মৃত স্বামী সত্যবানৰ প্ৰাণ ঘূৰাই আনিছিল নিজৰ বুদ্ধিৰে মেধাৰে যম ৰজাক তৰ্কত হৰুৱাই। বেউলাইও স্বামীৰ লগতে সতী ৰূপে মৃত্যু বৰণ নকৰি নিজৰ সাধনা আৰু নৃত্য কুশলতাৰে দেৱতা মণ্ডলীক মুগ্ধ কৰি মৃত স্বামীক জীয়াই তুলিছিল। বিদূষী গাৰ্গীৰ বুদ্ধিদীপ্ত তৰ্ক যুদ্ধৰ প্ৰত্যাহ্বান ঋষি যাজ্ঞবল্ক্যই অকণো আপত্তি নকৰাকৈ গ্ৰহণ কৰিছিল। মণ্ডন মিশ্ৰৰ বিদূষী পত্নী গৰাকীৰ লগত হোৱা তৰ্ক যুদ্ধত প্ৰথমবাৰ পৰাজিত হৈ আদি শংকৰাচাৰ্যই কাম শাস্ত্ৰত নতুনকৈ অভিজ্ঞতা আহৰণ কৰিব লগীয়া হৈছিল। সেইবোৰ যুগত পুৰুষে নাৰীক প্ৰাপ্য মৰ্যদাৰ পৰা বঞ্চিত কৰা নাছিল আৰু নাৰীয়েও নিজকে অবলা বুলি ভাবি পুৰুষৰ কৰুণা বেরুণা আৰু অনুগ্ৰহ বিচৰাৰ কথা ভবা নাছিল।

স্বামী আৰু স্ত্ৰীৰ যি শাস্ত্ৰ সম্মত সম্বন্ধ স্বীকৃত হৈছে, সেই স্বম্বন্ধতো স্ত্ৰীক স্বামীয়ে সখি ৰূপে গ্ৰহণ কৰাৰ কথাও উল্লেখ আছে।

মানৱ সভ্যতাৰ ওপৰত নতুন পোহৰ পৰাৰ লগে লগে মধ্যযুগীয় পৰিবেশৰ আন্ধাৰ আঁতৰি গ'ল আৰু পাশ্চাত্য জগতৰ দৰে ভাৰতীয় নাৰীয়েও স্বাধিকাৰ প্ৰতিষ্ঠাৰ বাটত আগবাঢ়ি যাবলৈ সচেতনতা লাভ কৰিলে আৰু সামাজিক সুবিধাও পালে। স্বাধীন ভাৰতৰ সংবিধানেও এই স্বাধিকাৰ স্বীকৃতিৰ বাট মুকলি কৰি দিলে।

পুৰুষেও আজি নাৰীক ঘৰখনৰ চাৰিবেৰৰ মাজত সোমাই থকাটো নিবিচাৰে। বিচাৰে তেওঁৰ কৰ্ম ক্ষেত্ৰত প্ৰকৃত সংগী আৰু সখি হিচাপে। নাৰীয়েও সকলো প্ৰকাৰে প্ৰচেষ্টা চলাইছে কেনেকৈ সকলো ক্ষেত্ৰতে পুৰুষৰ সমকক্ষ হ'ব পাৰে। মানসিক আৰু বৌদ্ধিক শক্তি বিকাশৰ লগতে বাহিৰা সাজ পাৰতো নাৰী পুৰুষৰ দৰেই হ'বলৈ বিচাৰিছে। চুলি চুটিকৈ কাটিছে, পুৰুষৰ দৰে পেণ্ট জেকেট পিন্ধিছে, আনকি স্তন যুগলেও যাতে তেওঁ যে নাৰী তাৰ পৰিচয় নিদিয়াৰ ব্যৱস্থাও গ্ৰহণ নকৰাকৈ থকা নাই। ফৰাচীসকলে সেয়ে আধুনিক নাৰীক বুলিছে La femme plate এজন আধুনিক কবিয়ে লিখাৰ দৰে তোমাৰ বুকু নহয় পীনোন্নত পয়োধৰা। তাৰ ঠাইত দেখিছোঁ বাণওৱেৰ সমতা।

আন কথাত ক'বলৈ গ'লে পোহৰ প্ৰয়াসী নাৰীয়ে

মুক্তি আৰু স্বাধিকাৰ প্ৰতিষ্ঠাৰ হকে আজি পুৰুষৰ লগত যেন এখন প্ৰতিযোগিতাৰ যুঁজ তৰি লৈছে। এই প্ৰতিযোগিতাৰ অন্তৰালত মানৱ সত্বাৰ প্ৰকৃত তাৎপৰ্য অন্বেষণৰ যে প্ৰয়াস নাই তেনে নহয় কিন্তু সেই প্ৰয়াস আধুনিক বিজ্ঞানৰ যুগত আত্মা বা মনৰ জগতখনৰ পৰা জড় আৰু দেহ জগতলৈ নামি আহিছে। পুৰুষ আৰু নাৰীয়ে, যুৱক আৰু যুৱতীয়ে, এজনে আনজনক সংগী আৰু সখি হিচাপে জানিব খোজা আকাংক্ষা বা প্ৰবৃত্তি স্থূল দেহ জগতত আৱদ্ধ হৈ পৰাত কোনো ক্ষেত্ৰত আওবাটে (পাৰভাৰশ্বন) যোৱাও দেখা গৈছে।

পুৰণি সংস্কাৰ বিমুক্ত যুৱক যুৱতীয়ে আগৰ আবুৰৰ পৰা ওলাই আহি কোনো কোনো ক্ষেত্ৰত যৌৱনৰ উন্মাদনাত আও বাটে যোৱা কথাটোৱে সম্প্ৰতি সমাজৰ কেতবোৰ লোকক চিন্তিত কৰি তুলিছে। নতুনত্বৰ সোৱাদ ল'ব খোজা নতুন বস্তু এটা তন্ন তন্নকৈ চোৱাৰ হেপাহে হয়তো যুৱক আৰু যুৱতী সকলক ব্যাকুল কৰি তুলিছে। সেয়ে আগৰ দিনত চিগাৰেটৰ সোৱাদ লোৱাৰ দৰে আজি ড্ৰাগছৰ সোৱাদ লবলৈ তেওঁলোকৰ কোনো কোনো জন উদগ্ৰীৱ হৈ পৰা দেখা গৈছে। আগৰ দিনত আওবাটে যোৱা পুৰুষ আৰু পুৰুষৰ তথা যুৱক আৰু যুৱকৰ মাজত দেখা দিয়া যৌন লিপ্সা (হোমো চেক্সুৱেলিটি) আজি যেন প্ৰকট হৈ পৰিছে পুৰুষৰ দৰে masculine যুৱতী আৰু নাৰীসুলভ যুৱতীৰ মাজতো আৰু কোনো ঠাইত ই বিকৃত ৰূপত দেখা নিদিয়াকৈ থকা নাই

সামাজিক শালীনতা চেৰাই গৈ।

কিন্তু ইয়াৰ কাৰণে অকল পুৰুষ বা যুৱক সকলকে দায়ী কৰাটো কোনো পধ্যে যুক্তিসংগত নহয়, যুৱতী সকলো সমানেই দায়ী। প্ৰতিযোগিতাত নমা যুৱতীয়ে গাত ধূলি মাকতি লাগিলে আপত্তি কৰাৰ থল নাই আৰু তাৰ কাৰণে আজিৰ যুগত সামগ্ৰিক ভাবে মহিলা আন্দোলন কৰাৰো যুক্তি দেখা নাপাওঁ।

মুক্ত বায়ু সেৱন কৰিবলৈ আবুৰ পৰিত্যাগ কৰি বাহিৰলৈ ওলাই অহা মহিলা তথা যুৱতী সকলে বতাহে কঢ়িয়াই অনা ধূলি গাত লাগিলে কিয় আপত্তি কৰে ? আধুনিক সভ্যতাৰ অংগ হিচাপেই তাক সহজ ভাবে গ্ৰহণ কৰিব লাগে।

পুৰুষৰ হাতত নাৰী, বা যুৱকৰ হাতত যুৱতী লাঞ্ছিতা হোৱাৰ বাতৰিৰ লেখ আমি ৰাখোঁ কিন্তু মহিলা বা যুৱতীয়ে পুৰুষ বা যুৱকক অপমান লাঞ্চনা আনকি মাৰ-পিট কৰা ঘটনাৰ লেখ জানো ৰাখো ? ল'ৰাই ছোৱালী জোকায় সচাঁ, কিন্তু ছোৱালীৰ জুম দেখিলে যে অকলশৰীয়া ল'ৰা আঁতৰি যাব লাগে, ঠাট্টা বিদ্ৰুপ আৰু মস্কৰাৰ হাত সাৰিবলৈ, তাৰ জানো লেখ ৰাখিছো ? এনে সত্য ঘটনাৰ জানো বাতৰি কাকতত ছপা হৈছে য'ত শিক্ষিতা যুৱতীয়ে ডেকা সুঠাম দেহৰ ৰিক্সা চালকক আঁওহতীয়া ঠাইলৈ নি ধন দি যৌন ক্ষুধা চৰিতাৰ্থ কৰিছে ? এইবোৰ ব্যতিক্ৰম হ'লেও পোহৰৰ লগত থকা ছাঁ হে। আধুনিক সভ্যতাৰ আনু-

সংগিক কথা। অধিক গুৰুত্ব দি সৰু কথা কেতবোৰক ডাঙৰ কৰি তুলিব নালাগে।

স্বাধিকাৰ প্ৰতিষ্ঠা আৰু মুক্তি আন্দোলনত ব্ৰতী মহিলাই পুৰুষৰ পৰা ৰক্ষণাবেক্ষণ নিবিচাৰি নিজেই এইবোৰৰ সন্মুখীন হোৱা মানসিকতাৰ লগতে দৈহিক যোগ্যতা আৰু আত্মনিৰ্ভৰশীলতাও আহৰণ কৰিব লাগে।

বাৰ্ণাড শ্বই কৈছিল যে মহিলা সকল পুৰুষৰ সমান হ'ব খোজাৰ এটা সুফল হ'ল এয়ে যে মই বহি থকা কোঠাটোলৈ এগৰাকী মহিলা সোমাই আহিলে মই আৰু তেওঁক সন্মান জনাবলৈ বহাৰ পৰা থিয় হ'ব নালাগে। স্বাধিকাৰ প্ৰতিষ্ঠাৰ হকে আগবাঢ়ি অহা মহিলাই তেওঁলোকক মহিলা বুলিয়েই আচুতীয়া বিশেষ সুবিধা দি ৰক্ষণাবেক্ষণ দিয়া কথাটোক নিশ্চয় অসন্মানজনক বুলি ভাবিব পৰা হ'ব।

যুৱশক্তিৰ জয়যাত্ৰা

মানৱ সভ্যতাৰ গতি পথত নতুন পোহৰ পৰাৰ লগে লগে বিশ্বৰ সকলো ঠাইৰে যুৱক-যুৱতী সকলে অনুভৱ কৰিছে এক অভূতপূৰ্ব প্ৰাণ চাঞ্চল্য। নতুন আত্মবিশ্বাসেৰে হৈছে বলীয়ান, ঐক্যবদ্ধভাৱে আত্ম-প্ৰতিষ্ঠাৰ বাট বিচাৰি ফুৰিছে। অসমেই বোধকৰো বিশ্বৰ এক বিশিষ্ট অঞ্চল—য'ত ঐক্যবদ্ধ ছাত্ৰ তথা যুৱ শক্তিয়ে এখন চৰকাৰ প্ৰতিষ্ঠা কৰি অভিলেখ স্থাপন

কৰিছিল।

বিশ্বৰ সকলো ঠাইৰে দেশৰ নেতাসকলে যুৱশক্তিৰ সম্ভাৱনা আৰু প্ৰয়োজনীতাৰ কথা কেতিয়াও আওকাণ কৰা নাছিল। দেশৰ সৈন্য বাহিনীয়েই বোলক নাইবা কোনোবা পৰাধীন ৰাষ্ট্ৰৰ স্বাধীনতা সংগ্ৰামৰ কৰ্মী বাহিনীয়েই বোলক, তাৰ অধিক সংখ্যকেই হ'ল যুৱক আৰু যুৱতী। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনতো নেতা-সকলৰ নিৰ্দেশত দেশৰ যুৱক-যুৱতীসকলে পুলিচৰ লাঠীৰ কোব আৰু পুলিচৰ গুলী বুকু পাতি লৈছিল। ডিডিতি চিপজৰী লৈ হাঁহি মুখে কৰিছিল দেশৰ কাৰণে মৃত্যু বৰণ।

অকল দেশৰক্ষা বা স্বাধীনতাৰ সংগ্ৰামতে যে যুৱ-শক্তিয়ে আগভাগ লৈছিল, এনে নহয়। আন আন ক্ষেত্ৰটো প্ৰতিভাৰ উন্মেষ হৈছিল ডেকা বয়সতে। বৈজ্ঞানিক আইনষ্টাইনে নবেল বঁটা লাভ কৰা 'ফটো ইলেকট্ৰিচিটি'ৰ তথ্য আৱিষ্কাৰ কৰিছিল ২৬ বছৰ বয়সতে আৰু সেই সময়তে আপেক্ষিকতাবাদ আদিৰ বিষয়েও বিশেষ তথ্য আৰু তত্ত্বপূৰ্ণ গৱেষণা লিখি বিশ্বৰ বৈজ্ঞানিক সকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। নীলচ্ বৰএ "ষ্ট্ৰাক্‌চাৰ অৱ ৰেডিএশ্বন" ৰ তত্ত্ব আৱিষ্কাৰ কৰিছিল ২৮ বছৰ বয়সতে। সেইদৰে বিলাতৰ অন্যতম অতিকে কাৰ্যক্ষম বুলি খ্যাত প্ৰধানমন্ত্ৰী উইলিয়ম পিটৰ বয়স আছিল মাত্ৰ ২৪ বছৰ। স্বামী বিবেকানন্দই ৩০ বছৰ বয়সতে আমেৰিকালৈ গৈ চিকাগোৰ ধৰ্মীয় সংসদত বক্তৃতা দি শ্ৰোতাসকলক বিমুগ্ধ

কৰিছিল। বিশ্বকবি ৰবীন্দ্ৰনাথৰো কাব্য আৰু সংগীত প্ৰতিভাৰ উন্মেষ হৈছিল বৰ কম বয়সতে। এলবেয়াৰ কেমুৱে যেতিয়া নবেল বঁটা পাইছিল, তেতিয়া তেওঁৰ বয়স আছিল মাত্ৰ ৪৪ বছৰ। ভাৰতীয় সাহিত্যৰ ক্ষেত্ৰতো আমাৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু বোল-ছবি ক্ষেত্ৰত জাহ্নু বৰুৱাই অভিলেখ স্থাপন কৰাৰ কথাও অবিদিত নহয়।

বিশ্বৰ খেল জগতৰ কেতবোৰ বিভাগত বিশেষকৈ এথেলেটিক্‌ছ, সাতোৰ, টেনিচ আদিত কুৰি বছৰৰ ভিতৰতে যুবক যুৱতী সকলে বিশ্বৰ শীৰ্ষ স্থান লাভ কৰিছে।

অৱশ্যে বহুতে কব খোজে যে ৰবীন্দ্ৰনাথ আৰু বাৰ্ণাড্‌শ্ব ইমান বেছি দিনলৈ বাচি নথকা হ'লে জগত-বাসীয়ে তেওঁলোকৰ পৰা ইমান অৱিহণা নাপালেহেঁতেন, কিন্তু তাৰ লগতে এইটোও স্বীকাৰ কৰিব লাগিব যে দৰাচলতে এওঁলোকৰো প্ৰতিভাৰ প্ৰকৃত বিকাশ হৈছিল কম বয়সতহে। এই প্ৰসংগতে উল্লেখনীয় যে প্ৰখ্যাত অংকশাস্ত্ৰবিদ হাৰ্ডীয়ে মন্তব্য কৰিছিল যে ৪০ বছৰৰ পাছত মানুহৰ মগজুৱে কাম কৰিব নোৱাৰা হয় হেনো।

কিন্তু ইয়াৰ লগতে এইটোও মনত ৰাখিব লাগিব যে বৃদ্ধ বয়সতো যৌৱনৰ আদৰ কমি নাযায়। মানুহৰ দেহাটো বাৰ্দ্ধক্য পীড়িত হ'লেও মনটো বহুত সময়ত সতেজ হৈয়ে থাকে। নহলেনো স্বৰ্গীয় ৰাধানাথ ফুকন-দেৱে বা ককা নীলমণি ফুকনদেৱে বা অতুল চন্দ্ৰ হাজ-ৰিকাদেৱে বুঢ়া বয়সলৈকে তেখেতসকলৰ চিন্তাশক্তি সতেজ

আৰু সক্ৰিয় কৰি ৰাখিব পাৰিলেছেঁতেন নে ? এশ বছৰৰো অধিক বয়সৰ মানুহক যৌৱনৰ ৰাগীয়ে ধৰাৰ কথা আমি জানো মাজে মাজে শুনা নাই। শৰীৰ বাৰ্দ্ধক্য পীড়িত হ'লেও যৌৱনক মনটোত আদৰি লৈছিল কাৰণেই এওঁলোক প্ৰকৃততে বৃদ্ধ হোৱা নাছিল।

দৰাচলতে যৌৱনৰ অন্য নাম জীৱনীশক্তি। যিসকলে বুঢ়া বয়সতো জীৱনীশক্তিৰ উপাসক হৈ থাকে, তেওঁলোকে যৌৱনক তেওঁলোকৰ জীৱনলৈ হয় মানসিক ক্ষেত্ৰত নহয় দৈহিক ক্ষেত্ৰত আমন্ত্ৰণ কৰে যযাতিয়ে পুত্ৰ পুৰুৰ পৰা যৌৱন ভিক্ষা কৰাৰ দৰে।

আগতে এনে এটা দিন আছিল যেতিয়া ৪০ বছৰতে মানুহ বুঢ়া হোৱা বুলি ধৰা হৈছিল। ৪০ বছৰ বয়স হ'লেই এই সকলে ডেকাসকলৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰিছিল। কিন্তু আজি বহুতো কাৰণত সেই অৱস্থাৰ সলনি হ'ল। ৪০ বছৰ বয়সতে কোনেও নিজকে বুঢ়া হোৱা বুলি নাভাবে। বুঢ়া হোৱাৰ লক্ষণবোৰে কোনো কোনো ক্ষেত্ৰত দেখা দিলেও সেই লক্ষণবোৰ ঢাকি ডেকা হৈ থকাৰ কিটিপ কৌশলো আজি বিজ্ঞানে আমাক শিকাইছে।

কিন্তু মই যিবোৰ উদাহৰণ দিছোঁ সেইবোৰক ব্যতিক্ৰম বুলি ভাবিবৰ থল নোহোৱা নহয়। মই প্ৰকৃততে ক'ব খুজিছোঁ এইটো কথা যে আগতে যুৱ-শক্তিৰ সম্ভাৱনা আৰু প্ৰয়োজনীয়তা উপলব্ধি কৰি সেই শক্তিক আনে কামত লগাইছিল নিজৰ উদ্দেশ্য সিদ্ধিৰ

যাবে। কিন্তু আজিৰ পোহৰ প্ৰয়াসী ডেকাশক্তি কি পুৰুষ, কি মহিলা—অধিক সচেতন, অধিক সজাগ হৈছে আৰু আমাৰ বহুতীয়া হৈ থাকি আনৰ অস্ত্ৰ হিচাপে নিজকে ব্যৱহাৰ কৰিবলৈ নিদিয়া হৈছে। কাৰণ তেওঁলোকে সভ্যতাৰ নতুন পোহৰত উপলব্ধি কৰিছে নিজৰ শক্তিৰ কথ, নিজৰ সমৰ্থ্যৰ কথা।

সভ্যতাৰ নতুন পোহৰে যুৱতী সকলকো যুৱকসকলৰ দৰেই স্বাধীনভাৱে আত্মপ্ৰতিষ্ঠাৰ বাটেদি আগবাঢ়ি যাবলৈ যোগাইছে প্ৰেৰণা। আজি তেওঁলোক পুৰুষৰ অৰ্দ্ধাংগিণী হৈ থাকিব বিচৰা নাই। অৰ্দ্ধপুৰুষ আৰু অৰ্দ্ধনাৰীৰ মিলনতেহে যে পূৰ্ণ মানৱৰ সৃষ্টি হব পাৰে, তাক তেওঁলোকে স্বীকাৰ নকৰে। তেওঁলোকে নিজেই নিজৰ কৰ্মক্ষমতাৰে নিজৰ যোগ্যতাৰে নিজৰ মানসিক শক্তিৰ উৎকৰ্ষ সাধনৰ যোগেৰে পূৰ্ণ মানৱ ৰূপে নিজৰ ব্যক্তি সত্বাক আপোন গৌৰৱেৰে গৰীয়সী আৰু মহীয়সী কৰি নিজকে স্বাধীন-ভাবে প্ৰতিষ্ঠা কৰিবলৈ উদগ্ৰীৱ হৈ পৰিছে। সভ্যতাৰ নতুন পোহৰে তেওঁলোকৰ মাজত যি প্ৰাণ চাঞ্চল্যৰ সৃষ্টি কৰিছে, পোহৰ আৰু প্ৰগতি প্ৰয়াসী তেওঁলোকৰ মনবোৰত যি উন্মাদনা আৰু যি প্ৰেৰণাৰ সৃষ্টি কৰিছে সেয়ে তেওঁলোকক খণ্ডিত ৰূপৰ ধ্যানৰ পৰা আঁতৰাই আনি পূৰ্ণ আৰু অখণ্ড মানৱতাৰ সাৰ্থক ৰূপৰ অন্বেষণত ব্ৰতী কৰি তুলিছে।

এইটো অনস্বীকাৰ্য যে এতিয়াও বহুতো দুষ্কৃতি-কাৰীক, এই নতুনকৈ অভ্যুদয় হোৱা যুৱশক্তিক নিজৰ

নিজৰ স্বাৰ্থ সিদ্ধিৰ অৰ্থে নিয়োজিত কৰিবলৈ প্ৰয়াস কৰা দেখা গৈছে আৰু এনে প্ৰলোভনত পৰি যুৱশক্তিৰ কেতবোৰ প্ৰতিনিধি বিপথগামীও যে হৈছে সেয়ে বিৰাট যুৱশক্তিৰ ওপৰত কিছু চেকা নেপেলোৱাকৈয়ো থকা নাই। কিন্তু যুৱশক্তিৰ এই নতুন অভ্যুদয়ক সাৰ্থক কৰিবলৈ হ'লে পোহৰ প্ৰয়াসী প্ৰগতিকামী যুৱক-যুৱতীসকলে সমাজত সচেতন হৈ থাকি সকলো দুষ্কৃতিকাৰীক ধ্বংস কৰিব লাগিব। নতুন পোহৰৰ আহ্বানত নতুন সভ্যতাৰ গতি নিৰ্ণায়ক জয়যাত্ৰা সফল হ'ব তেতিয়াহে।

জীৱনৰ খেল

'সুন্দৰৰ আৰাধনা জীৱনৰ খেল'—এই মহান বাণী আমাক দি থৈ যোৱা, 'প্ৰতিমা'ৰ খনিকৰ চিৰস্মৰণীয় চন্দ্ৰ কুমাৰ আগৰৱালাদেৱে সাহিত্যৰথী লক্ষ্মীনাথ বেজ-বৰুৱা, পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু অসমপ্ৰেমী অন্যান্য সতীৰ্থৰ সহযোগত অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ জগতৰ জাতীয়-আন্ধাৰ আঁতৰাবলৈকে প্ৰতিজ্ঞাবদ্ধ হৈছিল 'জোনাকী' কাকতখনৰ যোগেৰে। আগৰৱালাদেৱে কাকত-

খনৰ উদ্দেশ্য ব্যাখ্যা প্ৰসংগত অন্যান্য অতি লাগতিয়াল কথাৰ অৱতাৰণা কৰাৰ লগতে লিখিছিল—'এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ জোনাক সুমুৱাব মোৱাৰিলেও যদি নিজে নিজে যত্নৰ কিৰিঙতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম। আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিপক্ষে, উদ্দেশ্য—দেশৰ উন্নতি, জোনাক।'

আঁউসী-আন্ধাৰ জীৱনলৈ পোহৰৰ আহ্বান, মানেই হ'ল দুষ্কৃতিৰূপী অসুৰক ধ্বংস কৰি আমাৰ জীৱনবোৰক সুন্দৰ কৰি তোলাৰ আৰাধনা আৰু এই আৰাধনাই কবিৰ ভাষাত আমাৰ জীৱনৰ খেল। এই 'খেল' শব্দটো বিশেষ তাৎপৰ্যপূৰ্ণ। কাৰণ, খেলত আছে ছন্দ, আছে গতি, আছে বিৰোধী শক্তিক পৰাভূত কৰাৰ দৃঢ় প্ৰতিজ্ঞা আৰু আছে আনন্দ।

জীৱনৰ এই যে খেল, এই যে ছন্দ, এই যে গতি, ই আজিৰ কথা নহয়। পৃথিবীত মানৱৰ অভ্যুদয় হোৱাৰ দিনৰ পৰাই এই খেল আৰম্ভ হৈছিল। সেই দিনাৰে পৰা মানুহক প্ৰকৃতিৰ অৱদানসমূহে, প্ৰকৃতিৰ বিভিন্ন ধৰণৰ শক্তিৰ বিকাশে, সূৰ্যৰ পোহৰে, জোনৰ জোনালীয়ে মানুহক বিমুগ্ধ কৰিছে। অভিভূত কৰিছে প্ৰকৃতিৰ শক্তি আৰু সৌন্দৰ্যই। সেয়ে সেই শক্তি আৰু সৌন্দৰ্য আহৰণ কৰিবলৈ মানুহে আৰম্ভ কৰিছে, পাতনি মেলিছে জীৱনৰ খেলখনৰ।

প্ৰকৃতিৰ শক্তি আৰু সৌন্দৰ্য আহৰণ কৰাৰ প্ৰয়াসে মানুহৰ জীৱন প্ৰবাহক গতি চঞ্চল কৰি তুলিছে। অকল সেয়ে নহয়, প্ৰকৃতিৰ গতিশীল নিয়মত যি ছন্দ আছে সেই ছন্দই মানুহকো হয়তো অজানিতভাৱেই নিয়ন্ত্ৰিত কৰিছে। নিয়ন্ত্ৰিত কৰিছে এটা নিৰ্দিষ্ট নিয়মেৰে নিজৰ কৰ্ম-ৰাজিক, নিজৰ জীৱন নিৰ্ব্বাহৰ সমল গোটোৱা প্ৰচেষ্টাক। এই প্ৰচেষ্টাৰ ফলতে মানুহে লাভ কৰিছে প্ৰকৃতিৰ লগত এই খেলখন, তথা প্ৰাকৃতিক শক্তিক নিজৰ কামত লগাবলৈ যুঁজখন ভৰি ল'বলৈ। আৰু এই খেলখন, এই যুজখন আগবাঢি যোৱাৰ লগে লগে মানুহৰ মনত জন্মিল আত্ম-বিশ্বাস। মানুহৰ মগজুৰ কোঠালিবোৰ যেন মুকলি হৈ গ'ল। দৈনন্দিন কৰ্ম্মৰ ছন্দই যেন জগাই তুলিলে আবেগ অনুভূতিক। এই ছন্দৰ পৰাই সৃষ্টি হ'ল নৃত্যৰ, হয়তো কুলি কেতেকিৰ সুমধুৰ মাত আৰু নৈৰ, জুৰিৰ কলকল ধ্বনিৰ পৰাই সৃষ্টি হল সংগীতৰ ভূমিকৰ্ষণে, নানা তৰহৰ শস্যৰ উৎপাদনে, জগাই তুলিলে আত্মপ্ৰকাশৰ উন্মাদনা, সৃষ্টিৰ প্ৰেৰণা আৰু জন্ম দিলে মানৱ সংস্কৃতিক।

মানৱ সভ্যতাৰ স্তৰে স্তৰে, আগতে কৈ অহা মগজুৰ কোঠালিবোৰ মুকলি হোৱাৰ ফলত আনুভূতিক আত্ম-প্ৰকাশত ইন্ধন যোগালে বৌদ্ধিক বিকাশে। বিজ্ঞানে প্ৰকৃতিৰ বিভিন্ন শক্তি কৰায়ত্ত কৰি, আন্ধাৰ আঁতৰাই পোহৰৰ বাটেদি মানৱ সংস্কৃতি আৰু সভ্যতাক দোপত-দোপে আগবঢ়াই নিবলৈ মানুহক দিলে নতুন উদ্ভাৱনী শক্তি।

এই অগ্ৰগতিৰ আগচোৱাত এনে এটা সময় আহিছিল যেতিয়া পৰিৱেশ আৰু প্ৰকৃতিৰ লগত যুঁজিবলৈ মানুহে গাইগুটীয়া ভাৱ পৰিহাৰ কৰি একগোট হ'বলৈ বাধ্য হৈছিল। পাছলৈ এই একগোট হোৱা শ্ৰেণীবোৰ আকৌ বেলেগ বেলেগ শ্ৰেণীত বিভক্ত হৈ আহৰণ কৰা শক্তি কৰায়ত্ত কৰি নিজকে অধিক বলবান বুলি প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিলে। এই শ্ৰেণীবোৰৰ মাজত পাছলৈ একোজন নেতাৰ সৃষ্টি হ'ল যিজনে আনৰ পৰা শক্তি কাঢ়ি আনি নিজৰ কৰি, আনবোৰক নিজৰ বহতীয়াত পৰিণত কৰিলে।

এইবোৰেই কেতিয়াবা নিজকে ৰজা বুলি প্ৰচাৰ কৰি নিজৰ নিজৰ আধিপত্য বিস্তাৰ কৰাত লাগিল। মুঠতে ক'বলৈ গ'লে, এনেদৰেই সৃষ্টি হ'ল ৰজা, মহাৰজা, সম্ৰাট আৰু সাম্ৰাজ্যবাদী শক্তিৰ। বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু অন্যান্য ঔদ্যোগিক আৰু ব্যৱসায়িক কৌশলেৰে যিসকলে নিজৰ নিজৰ ধনৰ মোনা গধুৰ কৰিবলৈ সক্ষম হল, তেওঁলোকেই পুঁজিপতি বুলি জনাজাত হ'ল আৰু সাম্ৰাজ্যবাদী শাসকসকলৰে লগ লাগি সাম্ৰাজ্যবাদী শাসন ব্যৱস্থাৰ প্ৰবৰ্তন কৰি, প্ৰথমতে যিসকলে এওঁলোকৰ হাতত শক্তিৰ তুলি দিছিল, তেওঁলোকক আৰম্ভ কৰিলে শোষণ কৰিবলৈ বাধজৰি আৰু এইদৰেই সৃষ্টি হ'ল অগণন সৰ্বহাৰা দলৰ।

কিন্তু সৰ্বহাৰাৰ দল সদায়ে পদদলিত হৈ থাকিল। সম্ৰাটৰ শাসনৰ ঠাইত প্ৰৱৰ্তিত হল ৰাইজৰ শাসন, গণতান্ত্ৰিক শাসন, ৰাইজৰে শাসন ৰাইজৰ বাবে। কিন্তু

ইয়াতো কেৰোণে দেখা নিদিয়াকৈ নাথাকিল। ৰজাৰ ঠাইত বাইজৰ প্ৰতিনিধি কেতবোৰে দেখা দিলে—যিসকল কোনো কোনো ক্ষেত্ৰত হল ৰজাতকৈও চাৰ। ছোভিয়েট বাছিয়াত হল সৰ্বহাৰাৰ বিদ্ৰোহ। প্ৰবৰ্তিত হল সৰ্বহাৰাৰ শাসন ব্যৱস্থা। তাকো আকৌ প্ৰতিনিধিৰ যোগেৰে। তাত ব্যক্তিৰ ঠাইত সমষ্টিক আগভাগ দিয়া হল। নতুন ধৰণৰ শোষণ, নতুন ধৰণৰ ব্যক্তি স্বাধীনতা হৰণ আৰু নতুন ধৰণৰ লোহাৰ আঁৰ কাপোৰ। কিন্তু সম্প্ৰতি সেই দেশতো নতুন বতাহ বলিছে ; সমষ্টিগত সাম্যবাদৰ বিৰুদ্ধে মুকলি বতাহ বিচৰা জনতা জাগি উঠিছে। সাম্যবাদ তথা কমিউনিজমক আঁতৰাই গণতন্ত্ৰক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈছে।

কিন্তু মূল কথা হ'ল মানুহ। সমষ্টিৰ নামত ব্যক্তিয়ে ব্যক্তিসত্বা হেৰুৱাই পেলালে তেনে সমষ্টি বেছিদিন শক্তিশালী হৈ নাথাকে আৰু নিজৰ আদৰ্শ উপলব্ধিৰ বাটতো নানা বাধাই দেখা দিয়ে। অকল বাছিয়া কিয়, আন গণতান্ত্ৰিক দেশবোৰত, আনকি ভাৰতবৰ্ষতো ব্যক্তিয়ে তথা প্ৰতিনিধি নিৰ্বাচকে নিজৰ মানসিক আৰু বৌদ্ধিক শক্তিৰ বিকাশ কৰিব নোৱাৰাৰ ফলতে তথাকথিত নেতা বা পাৰ্টিৰ বহতীয়া হবলৈ বাধ্য হৈছে। এগৰাকী ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী ✓ইন্দিৰা গান্ধীয়ে 'বিবেক ভোট'ৰ কথা উল্লেখ কৰিছিল। যদিও সেই পৰিস্থিতি আছিল সম্পূৰ্ণ বেলেগ, তথাপি তেনে উক্তিৰ অন্তৰালৰ সত্যটোক উলাই কৰিব নোৱাৰি।

'আমি যদি আমাৰ ভৱিষ্যতক পোহৰাই তুলিবলৈ বিচাৰোঁ, যদি নিজকে প্ৰতিষ্ঠা কৰি এখন উন্নতমানৰ

নতুন সমাজ গঢ়িবলৈ বিচাৰোঁ, যদি জীৱন-যুঁজখন ভালকৈ যুঁজি, সকলো অসুন্দৰ আঁতৰাই, সুন্দৰৰ আৰাধনাকে জীৱনৰ ব্ৰত বুলি আন্তৰিকতাৰে গ্ৰহণ কৰিবলৈ বিচাৰোঁ তেন্তে সকলো কথাতকৈ অগ্ৰাধিকাৰ দিব লাগিব মানুহক। মানুহৰ তথা ব্যক্তিৰ আত্ম-উপলব্ধিক, আত্ম-বিকাশক।

সম্প্ৰতি ৰাজনৈতিক দৰ্শনৰ পৰিবৰ্তন ঘটা ছোভিয়েট ৰাছিয়াতো এইটো স্বীকৃত হৈছে যে সমাজখনক উন্নতিৰ পথেদি আগুৱাই নিয়াৰ, সমাজ বিৱৰ্তনৰ প্ৰধান আহিলাই হ'ল মানুহ, তথা ব্যক্তি। সমষ্টি গঠন কৰি প্ৰত্যেক ব্যক্তিয়ে যদি নিজকে বিকশিত কৰি, নিজকে উন্নত কৰি নিজৰ সামৰ্থ্যৰ পূৰ্ণ বিকাশ সাধন কৰিব নোৱাৰে তেন্তে সমষ্টিৰ ঐক্যবদ্ধ শক্তিৰ প্ৰয়োগ বেছিৰ ভাগ ক্ষেত্ৰতে ফলপ্ৰসূ নহয়। এটি বাদ্যবৃন্দৰ প্ৰত্যেকটো যন্ত্ৰ যদি সুৰত বন্ধা নাথাকে, সমবেত সংগীত গোৱা শিল্পীসকলৰ কাৰোবাৰ কণ্ঠ যদি বেসুৰা হয়, এটা নৃত্যদলৰ কোনোবা এজনৰ পদচালনত যদি ছন্দ পতন হয়, তেতিয়া অনুষ্ঠানটো ৰসোত্তীৰ্ণ নোহোৱাৰ দৰেই জনসমষ্টিৰ সমাজ বিৱৰ্তনৰ প্ৰচেষ্টাও হ'ব অসাৰ্থক। সেয়ে অহা শতিকাত ব্যক্তিয়ে নিজকে সকলো দিশতে শক্তিমান কৰিহে, সমষ্টিৰ মাজত সোমাই সমষ্টিক তথা সমাজৰ শক্তি বঢ়োৱাৰ প্ৰচেষ্টাক কেৰোণ মুক্ত কৰিব লাগিব। সুন্দৰৰ আৰাধনাত ব্ৰতী খেলুৱৈসকলৰ প্ৰত্যেকজন খেলুৱৈ পাকৈত হ'ব লাগিব। সেয়ে ভাৰতৰ ঋষিৰ মুখত উচ্চাৰিত হৈছিল মহান বাণী —আত্মানং বিদ্ধি।

ফাগুনী বতাহে আনে বসন্তৰ বতৰা

জাৰত ঠেৰেঙা লগা বিশ্বক ফাগুনৰ বতাহে আশাৰ বাতৰি দি যায়, ভয় নকৰিবা বসন্ত আহিব ধৰিছে। নতুনৰ আগমনী বতৰাই আমাৰ জঠৰতাক আতৰাই দিয়ে। শীতত সেমেকি নিশ্চল হৈ থকা আমাৰ প্ৰাণ কোষ যেন পুনৰ নতুন আশাৰে সজীৱ হৈ উঠে। আমি উপলব্ধি কৰোঁ গতিময় প্ৰাণৰ ছন্দ। জীৱনৰ

এই গতিময় ছন্দৰ উন্মাদনাত আমি পাওঁ বঙৰ মেলা,
ৰঙীন ফাকু চতিয়াই পাওঁ ফাগুনী উৎসৱ হোলী।

বিশ্বকবি ৰবীন্দ্ৰনাথে তেওঁৰ 'ফাল্গুনী' নাটখনৰ বিষয়ে আলোচনা প্ৰসংগত লিখিছে জগতখনলৈ চালে দেখা যায় যে যদিও তাৰ ওপৰেদি যুগৰ পাছত যুগ পাৰ হৈ গৈছে তথাপি সি জীৰ্ণ হোৱা নাই। আকাশৰ পোহৰ উজ্জ্বল, তাৰ নীলিমা নিৰ্মল। ধৰণীৰ বিকৃতা নাই, তাৰ শ্যামলতা অম্লান; অথচ খণ্ড খণ্ড কৰি চালে দেখিম ফুল সৰিছে, পাত শুকাইছে, ডাল মৰিছে। জৰা মৃত্যুৰ আক্ৰমণ চৌদিশে বাতিয়ে দিনে চলি আছে, তথাপি বিশ্বৰ চিৰ নবীনতা নিঃশেষ নহ'ল ......। শীতৰ মাজত যি মুহূৰ্তত বনৰ সকলো ঐশ্বৰ্য্য নাইকিয়া হ'ল বুলি ভাবিলোঁ, সেই মুহূৰ্ততেই যেন বসন্ত অসীম সমাৰোহ বনে বনে বিয়পি পৰিল। জৰাক, মৃত্যুক ধৰি ৰাখিব গ'লেই দেখোঁ সি নিজৰ ছদ্মবেশ আঁতৰাই প্ৰাণৰ জয় পতাকা উৰুৱাই সন্মুখত থিয় দিছে। .... বিশ্ব প্ৰকৃতিত প্ৰতিটো ফাগুনে যেনেকৈ পুৰণিৰ মাজত চিৰ নতুনৰ জন্ম দিছে মানুহ প্ৰকৃতিৰ মাজতো পুৰণিৰ সেই লীলা চলিছে। প্ৰাণ শক্তিয়েই মৃত্যুৰ ভিতৰেদি নিজক বাৰে বাৰে নতুনকৈ উপলব্ধি কৰিছে....।

মৃত্যু আৰু জীৱনৰ, পুৰণি আৰু নতুনৰ এই চিৰন্তন দ্বন্দ্বই জগাই তোলে আমাৰ প্ৰাণত, আমাৰ সংস্কৃতি সভ্যতাত, আগবাঢ়ি যোৱাৰ উদ্দাম বাসনাক, সমাজ জীৱনত নতুনৰ বোল সনাব বৈপ্লৱিক মন চেতনাক।

বৈষ্ণৱ মহাপুৰুষ সকলে এই প্ৰাণ উন্মাদনাক বিচাৰি পাইছে শ্ৰীকৃষ্ণৰ লীলাৰ মাজত। শ্ৰীকৃষ্ণক লৈ দৌল যাত্ৰা প্ৰসংগত ৰঙৰ খেলাৰ মাজেৰে অনুষ্ঠিত হোৱা এই যাত্ৰাই জীৱন যে প্ৰকৃততে স্থবিৰতা হীন, গতিশীল তাৰে তাত্বিক তাৎপৰ্য্য প্ৰকাশ কৰিছে।

এই তাৎপৰ্য্য উপলব্ধি কৰিব পাৰিলে হোলী উৎসৱৰ ৰঙীন ফাকুগুৰি ছটিওৱাৰ লগতে বোকা মাটি আৰু আন লেতেৰা বস্তু ছটিওৱাৰ নিম্নগামী মানসিকতাৰ কোনো অৰ্থ আমি বিচাৰি নাপাম।

বহাগৰ আকাশত বিজুলীৰ চিক্‌মিকনি

এপ্ৰিল যে নিষ্ঠুৰতম মাহ এইষাৰ কথা লিখিছিল টি. এছ. ইলিয়টে তেওঁৰ এটা কবিতাত। এপ্ৰিলৰ মাজভাগত আমালৈ আহে বং আনন্দৰ পোহাৰ লৈ বহাগৰ বঙালী বিহু। এপ্ৰিল মাহটোক নিষ্ঠুৰ বুলি ক'বলৈ দেখোন মন নাযায়। তথাপি এই গৰাকী বিশ্ববৰেণ্য কবিৰ এনে উক্তিৰ যে কিবা বিশেষ তাৎপৰ্য্য আছে

তাকো সতকাই সুই কৰিব নোৱাৰি। ইংৰাজী সাহিত্যৰ সমালোচকসকলে নিশ্চয় সেই তাৎপৰ্য্য অন্বেষণত ব্ৰতী হৈছে আৰু তাৰ ব্যাখ্যাও কৰিছে। আমি অৱশ্যে তাৰ একো ভূ পোৱা নাই।

তথাপি চিন্তা কৰি চালে দেখিম যে এপ্ৰিল তথা বহাগ মাহটোৰ এটা নিষ্ঠুৰ ৰূপ নথকা নহয়। স্থূল দৃষ্টিৰে আমি দেখোঁ বহাগে ধুমুহা আনে, বিহুৰ ঢোলৰ গুম-গুমনি আৰু ডাৱৰৰ গুমগুমনি একাকাৰ হৈ যায়। দুখীয়া ৰাইজৰ ঘৰ-দুৱাৰ ভাঙে, নানা বিপৰ্য্যয়ৰ সৃষ্টি হয়।

তদুপৰি ৰঙালী বিহুৰ ৰং আনন্দনো কিমান দিনৰ বাবে ? বহাগক আদৰাৰ লগে লগেই দেখোঁম বিদায় দিয়াৰ কথা ভাবিবলগীয়া হয়।

এপ্ৰিলত বসন্তৰ পয়োভৰ। প্ৰকৃতি ৰাণী নতুন সাজেৰে সাজি কাচি ওলায় ঋতুৰাজ বসন্তক আদৰণি জনাবলৈকে। আমি নাচোঁ বাগোঁ গীত গাওঁ আনন্দত হওঁ উদ্বাউল।

কিন্তু তাৰ পাছতে আমাৰ জীৱনবোৰলৈ আহে জীয়াই থকাৰ সংগ্ৰাম। এই সংগ্ৰামে আমাক ৰং আনন্দৰ কথা পাহৰি যাবলৈ বাধ্য কৰে। যি এই সংগ্ৰামৰ সন্মুখীন হব পাৰে সাহসেৰে তেৱেঁই এই পৃথিৱীত বৰ্ত্তি থাকিব পাৰে। এপ্ৰিল তথা বহাগৰ পাছৰ যি সময় ছোৱাই আমালৈ বাট চাই আছে সেই ছোৱাত আমি হাঁহি খেমালি ৰং ৰহইচেৰে দিন কটাব নোৱাৰোঁ। সুৰৰ ঘাম

ভৰিত পেলাই কঠোৰ শ্ৰম কৰিব লাগিব। খেতিয়কে হালৰ মুঠিত ধৰি ৰ'দবৰষুণত তিতি, বোকা পানীত লুতুৰি পুতুৰি হৈ, পথাৰত খেতি কৰি নিজৰ আৰু আন দহ জনৰ বাবে ভাত মুঠিৰ দিহা কৰিব লাগিব।

বঙালী বিহুৰ উন্মাদনাই, নৃত্য গীতে, আমাৰ মনবোৰ জীপাল কৰে সঁচা আৰু ভবিষ্যতৰ কঠোৰ শ্ৰমৰ দিনবোৰত দক্ষতা দেখুৱাবলৈ হ'লে দেহ আৰু মন এইদৰে জীপাল হোৱাৰ প্ৰয়োজনীয়তাও আছে। সেয়ে আমি বিহুৰ উলাহ আনন্দক সেইদৰেই গ্ৰহণ কৰিব লাগিব। কিন্তু আহিবলৈ ধৰা দিনবোৰৰ কথা ভাবিলে আমি নিশ্চয় অনুভৱ কৰিম যে এপ্ৰিল তথা বহাগৰ এপিঠিত কঠোৰতাৰ বা নিষ্ঠুৰতাৰ প্ৰলেপ স্পষ্ট ভাবে বিদ্যমান। বহাগৰ পাছত জেঠ। প্ৰখৰ ৰ'দৰ উত্তাপে আমাক দহি নিয়ে। কথাতে কয় জেঠৰ বাৰেখৰ। তাৰ পাছত আহাৰ শাওণ, আহে চহৰ আৰু গাঁওবোৰ পানীৰে ওপচোৱা বাৰিষাৰ ঢল। অসমৰ বাইজৰ বাবে বানপানী, আতংক, মাউৰ, মৰক। এইবোৰ অমংগলীয়া কথা সোঁৱৰাই দিয়াৰ কাৰণে এপ্ৰিল বা বহাগক নিষ্ঠুৰ যেন লাগি নাযায় নে বাৰু ?

ঋতুচক্ৰত বসন্তৰ আনন্দময় আগমনে আমাক জীৱন তত্ত্ব বা দৰ্শনৰো আভাস নিদিয়াকৈ নাথাকে। বসন্ত, ঋতুৰ ৰজা। প্ৰকৃতিৰ সকলোখিনি সম্ভাৰৰ গৰাকী তেওঁ। সেয়ে যি ইচ্ছা তাকে তেওঁ আমাক দিয়ে। আৰু কাৰণেই তেওঁ দিব পাৰে।

বিশ্বকবি ৰবীন্দ্ৰনাথে ঋতুৰাজ বসন্তৰ এই দিশৰ ভত্ত্বটো তেওঁৰ সকলো ঋতু নৃত্য-গীতি নাটিকা 'বসন্ত'ত সুন্দৰভাৱে দাঙি ধৰিছে। বসন্তই নিজৰ সকলোখিনি দি ধৰণীক ধুনীয়া কৰে, বসন্তৰ দানেৰেই ধৰণী ধনী হয়।

বসন্তৰ আছে কাৰণে দিব পাৰিছে। দান দি সন্ন্যাসী হৈছে। পৃথিবীয়ে ৰাজ সিংহাসনত বহুৱাই বসন্তক আদৰিব খুজিছে কিন্তু বসন্তই পলাই ফুৰিছে। সকলো দি সৰ্বস্বান্ত হ'ব খুজিছে। যিজনৰ ঐশ্বৰ্য আছে তেওঁহে ত্যাগ কৰিব পাৰে। যিজনে ভোগ কৰে তেৱেঁইহে ত্যাগ কৰিব পাৰে। বসন্তৰ পয়োভৱত জাতিষ্কাৰ হোৱা প্ৰকৃতিয়েও যেন দানৰ মাজেৰেই পূৰ্ণতা লাভ কৰে। "পূৰ্ণতাৰ পৰা ৰিক্ত, ৰিক্তৰ পৰা পূৰ্ণ, ইয়াৰ মাজতেই বসন্তৰ অহা-যোৱা"। এজন ব্যাখ্যাকাৰে কোৱাৰ দৰে পূৰ্ণতা আৰু ৰিক্ততা, ঐশ্বৰ্য আৰু সন্ন্যাস, ভোগ আৰু ত্যাগ, বন্ধনত সোমোৱা আৰু বন্ধনৰ পৰা মুকলি হোৱা, বিৰহ আৰু মিলন, যেন একেটা সত্যৰে ইপিঠি সিপিঠি। কোনোটোৰেই অকলে থাকিলে পূৰ্ণ নহয়। দুয়োটাৰে মিলনতহে পূৰ্ণ সত্ত্বাক আমি বিচাৰি পাওঁ। প্ৰকৃতি আৰু মানুহ উভয়ৰ মাজতেই একেটা সত্যৰে প্ৰকাশ।

মাথোঁ একেটা ৰূপতে যদি চাব বিচাৰোঁ তেন্তে বসন্ত তথা এপ্ৰিল বা ব'হাগৰ আনন্দৰ মাজতো নিঃস্ব ৰূপটোহে আমি দেখা পাম। ক'ম এপ্ৰিল নিষ্ঠুৰতম মাহ, ব'হাগৰ ধুমুহাই কেৱল ধ্বংসহে মাতি আনে। কিন্তু ঋতু

চক্ৰেৰে বসন্তৰ প্ৰতীক বহাগৰ তপস্যা প্ৰকৃতিক আনন্দ-মুখৰ কৰিবৰ কাৰণেই। ঋতু ৰাজৰ তাণ্ডৱ নৃত্যৰ পদৰ আঘাতত আকাশত দেখা দিয়ে বিজুলীৰ চিকমিকনি। সেই চিকমিকনিৰ পোহৰে যেন উলাহত উদ্বাউল কৰে আমাৰ মনবোৰক, নতুন কৰ্মময় জীৱনৰ সন্ধানত আমি আগবাঢ়ি যাওঁ। নিষ্ঠুৰ এপ্ৰিলে আনে ফুলৰ সুবাস, ৰবাগী বহাগে দিয়ে ছন্দময় জীৱন।

বিহু নৃত্যত
কৰ্মময় জনজীৱনৰ ছন্দ

আমাৰ জাতীয় উৎসৱ বুলি গ্ৰহণ কৰা ৰঙালী বিহুৰ উলহ মালহ গাঁৱৰ পৰা নগৰলৈ অহাৰ লগে লগে বিহুতলীৰ মঞ্চবোৰত বিহু নাচনী বিহুৱতী, বিহুকুঁৱৰী, বিহুৰাণী, বিহুসম্ৰাজ্ঞী আদিৰ দেহৰ ভংগীমা আৰু লয়লাসে নগৰৰ অকল অসমীয়াকে নালাগে বহুতো অনা-অসমীয়াকো মন-হিয়া কঁপাই তুলিছে, মতলীয়া কৰিছে।

এতিয়া আমাৰ বিহুৱা-বিহুৱতীসকলে সুদূৰ ৰাছিয়া আৰু জাৰ্মেনীৰ ৰাইজৰ অন্তৰো জয় কৰি পেলাইছে।

এইবোৰ ভাল কথা; আপত্তি কৰিবৰ কোনো কাৰণ হয়তো নাই। পিছে মানুহৰ অন্তৰ জয় কৰিব পৰাটোৱেই, অৰ্থাৎ যিকোনো উপায়ে, আমাৰ বিহু নাচৰ উদ্দেশ্য হ'ব লাগে নে? তেতিয়া হ'লে ইটালীত কোনোবা এগৰাকী গাভৰুৱে নগ্নঠা হৈ ফুৰাটোৱেই স্বাভাৱিক ৰীতি হ'ব লাগে বুলি নগ্নঠা ৰূপেৰেই ভোট বিচাৰি কিবা এটা নিৰ্বাচনত জয় লাভ কৰা আদৰ্শটোক দেখোন আমি আদৰি ল'ব লাগিব।

এটা সময়ত আমাৰ বুঢ়া-মেথাসকলে বিহুগীত আৰু বিহু নাচবোৰ বেয়া পাইছিল। সেইবোৰক যৌনগন্ধী অশ্লীল বুলি কৈছিল। আজিকালি অৱশ্যে সেই ধাৰণাৰ সলনি হৈছে। বিহু গীতৰ সাহিত্যিক দিশ আৰু বিহু নাচৰ সাংস্কৃতিক আৰু তাত্ত্বিক তাৎপৰ্য আমি আৱিস্কাৰ কৰিবলৈ সক্ষম হৈছোঁ। বিহু নাচৰ পাৰ্যমানে সংস্কাৰ সাধন কৰি তাৰ পদ্ধতিগত অনুশীলনৰ কথা ভৰা হৈছোঁ। আমাৰ কলেজ বিশ্ববিদ্যালয়ৰ গাভৰু ছোৱালীবোৰেও বিহু নাচিবলৈ ওলাই আহিছে আৰু অভিভাৱকসকলে বিশেষ আপত্তি নকৰা হৈছে।

কিন্তু প্ৰশ্ন হৈছে যি পৰিমাণে এই নাচটোৰ সংস্কাৰ সাধন কৰা উচিত আছিল সেই পৰিমাণে কৰা হৈছে নে? ইয়াৰ পদ্ধতিগত অনুশীলনৰ বাটত আমি কিমানদূৰ আগবাঢ়িছোঁ? ইয়াৰ উত্তৰ নিশ্চয় বৰ উৎসাহজনক নহ'ব।

বিহু নাচৰ যৌনগন্ধী ৰূপটোৰ বিশেষ সলনি হোৱা বুলি মই নাভাবোঁ। আজিৰ সমাজত বহুতো কথা গ্ৰহণ কৰাৰ দৰে এটা উদাৰ মনোভাব লৈ আমি কিছুমান কথা আওকাণ কৰিবলৈ শিকিছোঁ। আমি সচৰাচৰ দেখা বিহু নাচৰ বহুতো অংগী, ভংগী, মুদ্ৰাৰ প্ৰকৃত অৰ্থ যদি শিক্ষিত গাভৰু সকলে নাইবা তেওঁলোকৰ অভিভাৱকসকলে বুজিলেহেঁতেন তেন্তে নিশ্চয় সেই গাভৰুসকলে বাইজৰ সন্মুখত সেই ধৰণে নাচিবলৈ সংকোচ কৰিলেহেঁতেন আৰু অভিভাৱক সকলেও নিজৰ গাভৰু জীয়াৰীক এইদৰে নাচিবলৈ নিদিলেহেঁতেন।

পঞ্জাবৰ প্ৰখ্যাত ভাংড়া নাচৰ কথাকে নালাগে আমাৰ জনজাতীয় ভাই-ভনীসকলে যিবোৰ নাচ আমাক দেখুৱায় সেই লোক নৃত্যবোৰত আমাৰ বিহু নাচৰ দৰে যৌন আবেদন প্ৰকট হৈ পৰেনে? নিশ্চয় নপৰে। অসমৰ প্ৰত্যেকটো জনজাতী গোষ্ঠীয়ে নিজৰ নিজৰ নাচ বোৰৰ যিদৰে প্ৰণালীবদ্ধ সংস্কাৰ কৰি এই লোক নৃত্যবোৰ যে দৰাচলতে কৃষি·ভিত্তিক তালৈ সততে যিদৰে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে আমি সেইদৰে কৰিব পৰা নাই। পুৰুষৰ কিৰীলি আৰু ছোৱালীবোৰৰ দেহৰ ওখ চাপৰ বোৰলৈ দৃষ্টি আকৰ্ষণ কৰাৰ যোগেৰে সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰিবলৈ ব্যস্ত হৈ পৰিছোঁ। আমাৰ কৃষি জীৱনৰ সৈতে যে ইয়াৰ কিবা সম্বন্ধ আছিল তাক একেবাৰে পাহৰি গৈছোঁ।

মোৰ এতিয়াও মনত পৰে ভাহানি কলাগুৰু বিষ্ণু

প্ৰসাদ ৰাভাই ল'ৰা-ছোৱালীবোৰক নাচ শিকাওঁতে বিহু নাচৰ ছন্দত আমাৰ কৃষি জীৱনৰ ক্ৰিয়া কৰ্মৰ ভেটিত কিছুমান নৃত্যৰ ভংগীৰ form উদ্ভৱ কৰিছিল। আমাৰ লোক নৃত্যৰ সংস্কাৰ সাধনৰ ক্ষেত্ৰত এয়ে চাগৈ প্ৰথম পদক্ষেপ আছিল। কিন্তু আজিৰ নৃত্য পৰিচালকসকলে [বহুক্ষেত্ৰত চৰ্লীয়া সকলেই পৰিচালক বেলেগ কোৰিওগ্ৰাফাৰ নাথাকে।] সেই বাটেদি আগ নাবাঢ়ি আধুনিক কৰিবলৈ গৈ অযথা যৌন আবেদন প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে। সেয়ে ভাৰত বা বিদেশৰ নৃত্যৰ প্ৰকৃত সমজদাৰী দৰ্শকে লোক নৃত্য ৰূপে ইয়াক বৰ বেছি মূল্য দিব খোজা নাই।

তদুপৰি আমাৰ যিসকল পুৰুষে এই নাচবোৰত নাচনীৰ সৈতে সহযোগ কৰে বেছিভাগ ক্ষেত্ৰতে তেওঁলোকৰ নৃত্যৰ বিষয়ে বিশেষ ধাৰণা থকা যেন নালাগে। ভাংড়া নাচৰ পুৰুষ শিল্পী সকলৰ প্ৰাণৱন্ত ছন্দায়িত পদচালনা আৰু ভংগীবোৰলৈ মন কৰিলে মই কি ক'ব খুজিছোঁ বুজি পাব।

ভুল নকৰিব, মই বিশুদ্ধাচাৰী নৈষ্ঠিক 'পিউৰিটান' নহয়। মই বিচাৰোঁ বিহু নাচত অহৈতুক ভাবে যৌন আবেদন প্ৰকট নকৰি, ৰাইজৰ দৈনন্দিন কৃষি জীৱনৰ সৈতে সংগতি ৰাখি তাৰ প্ৰণালীবদ্ধ সংস্কাৰ সাধন হওক, যাতে নৃত্যৰ ছন্দৰ মাজেৰে খেতিয়ক ৰাইজৰ জীৱনৰ সুন্দৰ ৰূপ ফুটি উঠে। তেতিয়াহে ই প্ৰকৃত জাতীয় লোক নৃত্যৰ পৰ্যায়লৈ উন্নীত হ'ব। বিহু নৃত্যত ফুটি উঠক আনন্দৰ লহৰৰ লগতে কৃষি ভিত্তিক কৰ্মময় জনজীৱনৰ গতি আৰু ছন্দ।

প্ৰগতিৰ পথত ৰঙালী বিহু

চাবি দশকব আগতে গাঁবব পথাবব আছুতীয়া অংশব নাইবা ববগছব ছাঁব তলব পবা, নতুন পোহবব অন্বেষণতে আমাব বং আনন্দব মেলা বঙালী বিহুটিক নগবব মুকলি মঞ্চলৈ অনা হৈছিল। নগবমুখী গঞা বাইজে এই প্রয়াসত সহযোগ কবিছিল আনন্দ মনেবে বং বহইচব ক্ষেত্রখন আগতকৈ বহুত বেছি বহল হ'ব বুলি আশা কবি। ক্ষেত্রখন যে বহল হৈছিল বা হৈ গৈ আছে তাত সন্দেহ কবিবব থল নাই।

যি সকল বিহুৱা বিহুৱতীৰ আনন্দৰ পৰিসৰ ঠেক সীমাতে আৱদ্ধ আছিল সেই সকলে নতুন বহল ক্ষেত্ৰৰ উলহ মালহত মত্ত হ'বলৈ সুচল পালে। যি সকলে হয়তো গাঁৱৰ ঠেক পৰিসৰত ঠন ধৰি উঠিবলৈ নৌ পাওঁতেই মৰহি গ'লহেঁতেন তেওঁলোক নতুন উৎসাহত জীপাল হৈ উঠিল।

গাওঁৰ শিল্পী সকলৰ লগতে নগৰৰ শিল্পী সকলে যোগ দিয়াৰ সুবিধা ওলালত সুস্থ প্ৰতিযোগিতাৰ মনোভাবে উলহ মালহৰ পৰিসৰ বঢ়োৱাৰ লগতে শিল্পী সকলৰ শৈল্পীক চিন্তা চেতনাক সজাগ কৰি বিহু নৃত্য গীতৰ মান উন্নয়নত যথেষ্ট পৰিমাণে অৰিহণা যোগালে। আৰু বিশেষ ভাবে উল্লেখ যোগ্য কথা হ'ল এইটোৱেই যে আমাৰ জনজাতীয় ভাই ককাই বাইভনী সকলো এই নগৰৰ উৎসৱত যোগ দিবলৈ আগবাঢ়ি অহাত বঙালী বিহু উৎসৱে এনে এটা মহৎ ৰূপ ল'লে যে তাক জাতীয় উৎসৱৰ ৰূপ বুলি ক'বলৈ কোনেও কুণ্ঠা বোধ নকৰা হ'ল।

নগৰবোৰত নানা ধৰণৰ কামৰ অজুহাতত ভাৰতৰ অন্য ঠাইৰ পৰা অহা লোক সকলেও বঙালী বিহুৰ ৰং আনন্দত ভাগ ল'বলৈ সুবিধা পালে আৰু আমাৰ বাইজৰ উলহ মালহ উথল মাথলতৈ লক্ষ্য কৰি এই উৎসৱটিৰ মহান জাতীয় তাৎপৰ্য উপলব্ধি কৰিলে। তদুপৰি বিভিন্ন সাংস্কৃতিক বিনিময় আঁচনি যোগে বিহু নৃত্য গীতৰ দলবোৰে ভাৰতৰ বিভিন্ন ঠাইলৈ গৈ তেওঁলোকৰ নৃত্য পৰিবেশন যে কৰিলেই সুদূৰ কচ

আৰু জাৰ্মেনী দেশলৈ গৈও তাৰ দৰ্শক ৰাইজক মুগ্ধ কৰিবলৈ সুবিধা পালে।

আমি আনন্দেৰে লক্ষ্য কৰিছোঁ যে সজাগ নৃত্য সমালোচক সকলে সম্প্ৰতি লাভ কৰা সুবিধাখিনিতে সন্তুষ্ট নাথাকি এই লোক নৃত্যটিকনো কেনে ধৰণে আৰু চকুত লগা কৰিব পাৰি সেই বিষয়ে ইতিমধ্যে চিন্তা চৰ্চা কৰিবলৈ আৰম্ভ কৰিছে। তেওঁলোকে উপলব্ধি কৰিছে যে সাজপাৰ, নৃত্য পদ্ধতি আদিত যোৱা চাৰি দশকে যথেষ্ট উন্নতি সাধন কৰিলেও এতিয়া আহি এনে এটা অৱস্থাত উপনীত হৈছে যেন সকলোকে এক ধৰণৰ স্থবিৰতাই আগুৰিহে ধৰিছে। আৰু তাৰ লগতে ব্যৱসায়িক দিশ এটাইও উলহ মালহৰ পৰিবেশটোক কিছু পৰিমাণে আদৰ্শ ভ্ৰষ্ট কৰিবলৈ যত্ন কৰিছে।

আজিৰ ব্যৱসায়িক পৰিবেশত শিল্পীসকলে শিল্পচৰ্চাৰ যোগেৰে ধন অৰ্জাত কাৰো আপত্তি থাকিব নালাগে কিন্তু সেয়ে সম্পূৰ্ণ ভাবে শিল্প নিষ্ঠা পৰিবৰ্জিত ধন ঘটাৰ আলম হৈ পৰিলেহে বৰ পৰিতাপৰ কথা হ'ব।

তদুপৰি বিভিন্ন বিহুতলীবোৰৰ মাজত দেখা দিয়া সমন্বয়ৰ অভাবে অবাঞ্ছনীয় প্ৰতিযোগিতাৰ মনোভাবত ইন্ধন যোগাই আজিৰ গণতন্ত্ৰৰ যুগতো বিহুৰাণী, বিহু সাম্ৰাজ্ঞীৰ খিতাপে দি পৰিবেশ কিছুপৰিমাণে দূষিত কৰিবলৈ প্ৰয়াস কৰিছে। অথচ এনে খিতাপবোৰৰ বাবে আৱশ্যকীয় অৰ্হতা আহৰণৰ ওপৰত গুৰুত্ব নিদিয়াৰ ফলত বিহু নৃত্য গীত পৰিবেশনৰ মান উন্নত হোৱাত বাধাই দেখা দিছে।

এগৰাকী সৃজনীশীল প্ৰতিভাৰ গৰাকী নৃত্য পটিয়সী শিল্পীক এই সম্পৰ্কে, বিশেষকৈ লোক নৃত্য হিচাপে বিহুৰ মান অধিক উন্নত কৰি কেনেকৈ প্ৰকৃত নৃত্য সমালোচক সকলৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰি বুলি সোধাত তেখেতে আক্ষেপ কৰি কৈছিল যে এতিয়ালৈকে যিখিনি উন্নতি হৈছে সেই খিনি বৰ্তমানে থকা নৃত্য নিৰ্দেশক ঢুলীয়া সকলৰ কাৰণেই হৈছে। কিন্তু তেখেত সকলে নৃত্যৰ দিশত অধিক অহ'তাৰ আৱশ্যকতাৰ কথা উপলব্ধি কৰিলেও নিজৰ আধিপত্য দুৰ্বল হৈ যাব বুলি আশংকা কৰি অহ'তা সম্পন্ন নৃত্য প্ৰশিক্ষকৰ (কোৰিওগ্ৰাফাৰ) সহযোগ ল'বলৈ ইচ্ছা নকৰে।

আমাৰ বোধেৰে প্ৰতি বছৰে বহুতো ধন খৰচ কৰি মূল্যবান পুৰস্কাৰ আগবঢ়োৱা বিহু তলীবোৰৰ পৃষ্ঠপোষক আৰু কৰ্ণধাৰ সকলে অভিজ্ঞ ব্যক্তিৰ সহযোগত বিহু নৃত্যৰ উন্নত পদ্ধতি উদ্ভাৱন কৰি প্ৰতিযোগিতাৰ ক্ষেত্ৰত তেনে পদ্ধতি প্ৰয়োগ কৰিলে পুৰস্কাৰ প্ৰয়াসী শিল্পী সকলে বাধ্যত পৰি তেনে পদ্ধতিগত প্ৰণালীৰ অনুশীলন যোগে নৃত্যৰ মান উন্নত কৰিব আৰু ঢুলীয়া সকলেও সহযোগ কৰিবলৈ আগবাঢ়ি আহিব। তেতিয়াহে নগৰৰ মঞ্চলৈ বিহু নৃত্য পীতক আদৰি অনা সাৰ্থক হ'ব আৰু বঙালী বিহু প্ৰগতিৰ পথেদি দপ-দপাই আগবাঢ়ি যাব।

চীনৰ যুৱশক্তিৰ নৱ জাগৰণ

চীন দেশৰ যুৱশক্তিৰ নৱ অভ্যুত্থান, শাসক শ্ৰেণীৰ নিষ্পেষণৰ বিৰুদ্ধে থিয় দিয়াৰ দৃঢ় প্ৰতিজ্ঞা যে সাম্প্ৰতিক বুৰঞ্জীৰ এক অতি উল্লেখযোগ্য ঘটনা তাক কোনেও নুই নকৰিব। বিশ্বৰ গণতান্ত্ৰিক আদৰ্শ অভিলাষী যুৱক-যুৱতীসকলে যেতিয়া পোহৰৰ পথেদি, প্ৰগতিৰ পথেদি আগবাঢ়ি গৈছে, চীনৰ যুৱক-যুৱতীসকলেনো কিয় বন্দুক বৰতোপৰ গুলী আৰু টেংকৰ পিহনক ভয় কৰি হাত সাৱটি পলায়নবাদক সাৱোঁটত কৰি বহি থাকিব? চীনৰ

এই জ্বলি উঠা জুইকুৰাক যে ছোভিয়েট ৰাছিয়াৰ মুকলি বতাহে ভৱিষ্যতে বন জুইৰ দৰে সমগ্ৰ দেশতে বিয়পি পৰাত সহায় কৰিব তাত সন্দেহ কৰাৰ থল নাই।

সত্তৰ বছৰ আগতেও চীনৰ ছাত্ৰ সকলে জাপান তথা তেওঁলোকক শক্তি যোগোৱা অন্যান্য ইউৰোপীয় শক্তি আৰু তেওঁলোকৰ বহতীয়া চৰকাৰৰ নিষ্পেষণৰ বিৰুদ্ধে বিদ্ৰোহৰ ধ্বনি তুলি মুৰ দাঙি থিয় দিছিল আৰু সেই বিদ্ৰোহে ছাত্ৰ-শক্তিৰ অভিযান জয়যুক্ত কৰিছিল, সকলো স্তৰৰ লোকৰ মনতে জগাই তুলিছিল জাতীয় চেতনা। শাসন ব্যৱস্থাৰ সংস্কাৰ সাধিত হৈছিল, দেশখনৰ প্ৰগতিৰ পথ সুগম হৈছিল।

আজি ছোভিয়েট ৰাছিয়াৰ মুকলি বতাহৰ পৰশত উদবাউল হোৱা চীনৰ যুব-শক্তিয়ে বিচাৰিছে মামৰে ধৰা শাসনৰ নামত শোষণৰ পৰিবৰ্তে প্ৰকৃত গণতান্ত্ৰিক শাসন ব্যৱস্থা। উপলব্ধি কৰিছে যে ছোভিয়েট ৰাছিয়াৰ দৰে পোহৰৰ পথেদি আগবাঢ়ি যাবলৈ লাগে বাধাহীন মুকলি পৰিবেশ।

ৰাছিয়াত গণতান্ত্ৰিক আদৰ্শ অনুসৰণ কৰিয়েই প্ৰেছিডেণ্ট গৰ্বাচেভে দেশৰ প্ৰশাসনীয় ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিছে। এই সংস্কাৰৰ কাৰণে ছাত্ৰ বা ৰাইজৰ অন্তৰৰ পৰা বিদ্ৰোহ কৰাৰ প্ৰয়োজন হোৱা নাই। সকলোৰে আচৰিত কৰা দূৰদৰ্শিতাৰে তেওঁ ৰাজনীতি আৰু সংস্কৃতিৰ ক্ষেত্ৰত নতুন দিশ মুকলি কৰি বিশ্বশান্তিৰ পথ প্ৰশস্ত কৰিছে। লেনিনৰ মাজেই গৰ্বাচেভৰ [illegible]